# গোট ঃ ১ (Unit-I)

# সংঘাত আৰু ইয়াৰ ধাৰণা (Conflict and Its Concepts)

## ক) সংঘাত (Conflict) ঃ

সংঘাত বুলিলে সাধাৰণতে দুই বা ততোধিক পক্ষৰ মাজত সৃষ্টি হোৱা পৰস্পৰ বিৰোধী ধাৰণা বা বিশ্বাসক বুজায়। অন্য অৰ্থত সংঘাত হৈছে স্বাৰ্থৰ বিৰোধ। কোনো এটা পক্ষ বা গোষ্ঠী বা সম্প্ৰদায় বা ৰাষ্ট্ৰই নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে যেতিয়াই একপক্ষীয় সিদ্ধান্ত গ্ৰহণ কৰে আৰু প্ৰতিদ্বন্দ্বী পক্ষ বা গোষ্ঠী বা সম্প্ৰদায় বা ৰাষ্ট্ৰৰ স্বাৰ্থ বিঘ্নিত কৰাৰ আশংকাই দেখা দিয়ে, তেতিয়া তাত বিৰোধ বা সংঘাত সৃষ্টি হয়। সংঘাত সৃষ্টিৰ অন্যতম প্ৰধান কাৰণ হৈছে পৰস্পৰ বিৰোধী লক্ষ্য উদ্দেশ্যত উপনীত হ'বলৈ কৰা প্ৰয়াসৰ বহিঃপ্ৰকাশ। সাম্প্ৰতিক সময়ত বিশ্ব ৰাজনীতিত খলকনি সৃষ্টি কৰা ৰাছিয়া আৰু ইউক্ৰেনৰ মাজত চলি থকা সংঘাতৰ মূল কাৰণ হৈছে পৰস্পৰ বিৰোধী স্বাৰ্থ পূৰণৰ দীৰ্ঘদিনীয়া মতান্তৰৰ বহিঃপ্ৰকাশ। ইউক্ৰেনে উত্তৰ আটলান্টিক চুক্তি সংস্থা (North Atlantic Treaty Organisation চমুকৈ NATO)ৰ সদস্য হ'বলৈ উঠি পৰি লগাত ৰাছিয়া চৰম অস্বস্থিত পৰাই নহয়, ই নিজৰ আভ্যন্তৰীণ সুৰক্ষাৰ ক্ষেত্ৰত সন্দিহান হৈ পৰিছিল। বিশেষকৈ আমেৰিকা নেতৃত্বাধীন পশ্চিমীয়া ৰাষ্ট্ৰগোষ্ঠীৰ অদমনীয় প্ৰভাৱত পৰি ৰাছিয়াৰ সাৰ্বভৌমত্ব বিপন্ন হোৱাৰ আশংকা ঘনীভূত হোৱাত ৰাছিয়াই ইউক্ৰেন আক্ৰমণ কৰা বুলি ৰাজনৈতিক বিশ্লেষকসকলে মতপোষণ কৰিছে। ঠিক তেনেকৈ, ৰাছিয়াৰ দখলকাৰী স্বভাৱ আৰু আগ্ৰাসনৰ পৰা পৰিত্ৰান লাভৰ কাৰণে ইউক্ৰেণক শক্তিশালী সামৰিক মিত্ৰ (Military Alliance) বা জোটবন্ধনৰ প্ৰয়োজন হোৱা বুলি বহু বিশেষজ্ঞই দাবী কৰে। এইদৰে দুয়োখন দেশৰ পৰস্পৰ বিৰোধী স্বাৰ্থ পূৰণৰ কাৰণে ভয়াবহ সংঘাতত জড়িত হৈ বৰ্তমান বিশ্বত এক অভাৱনীয় সংকট সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ৰুছ ইউক্ৰেণৰ বৰ্তমান স্থিতিৰ পৰা অতি সহজেই অনুমান কৰিব পাৰি যে সংঘাত হৈছে দুই বা ততোধিক গোষ্ঠী বা গোটৰ বা পক্ষৰ মাজত সৃষ্টি হোৱা মতান্তৰ, বিৰোধ আৰু স্বাৰ্থ পূৰণৰ এক ধাৰণা।



Scanned with OKEN Scanner

অৱশ্য, এইখিনিতে এটা কথা স্পষ্ট কৰা ভাল হ'ব যে সংঘাত মানেই হিংসা বা যুদ্ধ নহয়। উদাহৰণস্বৰূপে ক'ব পাৰি যে ভাৰতবৰ্ষ আৰু বাংলাদেশৰ মাজত গংগা নীদৰ পানী বিতৰণক লৈ স্বাধীনতাৰ পিছৰ পৰাই সংঘাত চলি আহিছে। কিন্তু সেই সংঘাতে কেতিয়াও যুদ্ধৰ পৰিৱেশ ৰচনা কৰা নাই। বৰং, এই বিষয়টো আচুতীয়াকৈ থৈ দুয়োখন দেশে অন্যান্য ভালেমান ক্ষেত্ৰত আন্তৰিকতাপূৰ্ণ মিত্ৰ হিচাপে কাৰ্য সম্পাদনৰ বহু দৃষ্টান্ত আছে।

সংঘাতৰ পৰা ৰাজনৈতিক পৰিস্থিতিৰ উদ্ভৱ হয়। য'ত ৰাজনীতি আছে, তাত সংঘাত আছে। আকৌ য'ত সংঘাত আছে, তাত ৰাজনীতিও আছে। অৰ্থাৎ সংঘাত আৰু ৰাজনীতি হৈছে এটা মুদ্ৰা ইপিঠি-সিপিঠি স্বৰূপ। ৰাজনীতিৰ ক্ষেত্ৰত জটিল আৰু বহুৰূপী স্বৰূপ। ৰাজনীতিৰ ক্ষেত্ৰত জটিল আৰু বহুৰূপী হোৱা হেতু, ইয়াত সংঘাত আৰু সহযোগিতাৰ সমাহাৰ ঘটা দেখা যায়। ৰাজনৈতিক নেতাসকলে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে বা ক্ষমতা দখলৰ বাবে অহৰহ প্ৰতিপক্ষ দল বা প্ৰতিদ্বন্দ্বী নেতাক আক্ৰমন লক্ষ্য কৰি লোৱা দেখা যায়। ইয়াৰ ফলত প্ৰতিপক্ষ বা প্ৰতিদ্বন্দ্বী সকলেও হাত সাৱটি বহি নাথাকি প্ৰত্যাক্ৰমন আৰম্ভ কৰিলে সংঘাত অনিবাৰ্য হৈ পৰে। অৱশ্য ৰাজনৈতিক নেতা বা দলৰ সংঘাত কেতিয়াবা বাক্‌যুদ্ধৰ মাজত আকৌ কেতিয়াবা প্ৰত্যক্ষ হিংসাৰ মাজত লিপ্ত হোৱা দেখা যায়।

মানুহৰ ব্যক্তিগত বা সামাজিক ক্ষেত্ৰতো সংঘাত সৃষ্টি হোৱা দেখা যায়। মানুহৰ ব্যক্তিগত জীৱনৰ বিভিন্ন কাৰণত আনৰ সৈতে সংঘাত সৃষ্টি হোৱাটো এক নৈমিত্তিক ঘটনা। এনে সংঘাত সৃষ্টিৰ আঁৰত মান-সন্মান, প্ৰভাৱ, প্ৰতিপত্তি, সম্পত্তি অৰ্জনকে আদি কৰি বিভিন্ন ধৰণৰ কাৰণে ক্ৰিয়া কৰে। ঠিক সেইদৰে, সামাজিক জীৱনতো মানুহৰ নানা সমস্যা থাকে। এনে সমস্যাসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰতো সংঘাত সৃষ্টি হোৱা দেখা যায়।

ওপৰৰ আলোচনা পৰা দেখা যায় যে মানৱ জীৱনৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে সংঘাত সৃষ্টি হয়। ব্যক্তিগত বা সামাজিক জীৱনৰ বাদেও অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সংঘাতৰ এক বলিষ্ঠ উপস্থিতিৰ প্ৰমাণ পোৱা যায়। এনে সংঘাত কেতিয়াবা সৃজনীমূলক কামত উদ্‌গনি যোগায় আকৌ কেতিয়াবা ই হিংসাত্মক ৰূপ ধাৰণ কৰি মানৱ জাতি ধ্বংসৰ বীজ কঢ়িয়াই অনাত দেখা যায়।



Scanned with OKEN Scanner

**সংঘাতৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Conflict)ঃ**

সংঘাতৰ অৰ্থ আৰু সংজ্ঞা বিভিন্ন জনে বিভিন্ন ধৰণে প্ৰদান কৰা দেখা যায়।

মেৰিয়াম ওৱেবষ্টাৰ ডিকশ্যনাৰী মতে, "সংঘাত হৈছে অন্যতকৈ পৃথক, বিৰোধী আৰু মতান্তৰৰ নামান্তৰ।"

এল থম্পছনৰ মতে, "মানুহৰ মাজত থকা স্বাৰ্থৰ ভিন্ন ধাৰণাই হৈছে সংঘাত।" (Conflict is the perception of differences of interests among people." – L. Thompson)

ক্ৰিটনাৰ আৰু কিনিক্কি'ৰ মতে, "সংঘাত হৈছে এনে এক প্ৰক্ৰিয়া য'ত এটা পক্ষই অন্য পক্ষৰ দ্বাৰা নিদৰ স্বাৰ্থক বিৰোধিতা বা হানি কাৰক বুজায়।" (Conflict is a process in which one party perceives that its interests are being opposed or negatively affected by another party." (Kreitner & Kinikki).

জি.টি ফাৰ্লঙ'ৰ মতে, "কোনো সীমা লংঘন আৰু ইয়াৰ নীতি-নিয়মক প্ৰত্যাহ্বান জনোৱা তথা ভীতি প্ৰদৰ্শন কৰাকে সংঘাত বুলি কোৱা হয়।"

এল.এছ কানৰ মতে, "শক্তিৰ বিৰোধেই হৈছে সংঘাত।" (Conflict is the opposition of forces.)

এল কোছাৰৰ মতে, "দুই বা ততোধিক পক্ষৰ মাজত মূল্যবোধ বা মৰ্যাদা আৰু ক্ষমতা আহৰণৰ প্ৰতিযোগিতা অথবা সম্পদৰ নাটনিয়ে সংঘাত সৃষ্টি কৰে।"

ওপৰৰ অলোচনীৰ পৰা দেখা যায় যে বিভিন্ন কাৰণত সংঘাত সৃষ্টি হ'ব পাৰে। তদুপৰি সংঘাত সৰু বা বৃহৎ স্বাৰ্থৰ বাবেও সৃষ্টি হয়। কিছুমান সংঘাত শান্তিপূৰ্ণভাৱে সমাধান হোৱাৰ বিপৰীতে আন কিছুমান আকৌ হিংসাত্মক ঘটনাৰে যুদ্ধৰ ৰূপ ধাৰণ কৰা দেখা যায়। সেয়েহে সংঘাতক এক বহুমুখী প্ৰকৃতিৰ ধাৰণা বুলি আখ্যা দিয়া হৈছে।

**সংঘাতৰ প্ৰকাৰ (Types of Conflict) ঃ**

সংঘাতৰ অৰ্থ, সংজ্ঞা আৰু প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি ইয়াক কেবাটাও ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হৈছে— ক) আন্তঃ ব্যক্তি সংঘাত খ) সামাজিক সংঘাত গ) অনুষ্ঠান-প্ৰতিষ্ঠানৰ আন্তঃ সংঘাত ঘ) দলীয় সংঘাত ঙ) আন্তঃৰাজ্যিক সংঘাত আৰু চ) আন্তঃৰাষ্ট্ৰীয় সংঘাত।



Scanned with OKEN Scanner

**ক) আন্তঃব্যক্তি সংঘাত (Inter-individual Conflict) ঃ** প্ৰতিজন মানুহৰে একো একোটা ব্যক্তিগত জীৱন আৰু চিন্তাধাৰা থাকে। সাধাৰণতে ব্যক্তিগতভাৱে প্ৰতিজন মানুহে নিজৰ ভালৰ কাৰণে বা নিজ স্বাৰ্থ পূৰণৰ কাৰণে কাম কৰে। এনে কাৰ্যত এনে কোনোৱে প্ৰতিবন্ধকতা সৃষ্টি কৰিলে বা প্ৰত্যাহ্বান জনালে, তেনে ব্যক্তিৰ লগত সংঘাত সৃষ্টি হোৱা দেখা যায়। বিশ্বৰ প্ৰতিজন মানুহৰ জীৱনত কম-বেছি পৰিমাণে এনে সংঘাতৰ উপস্থিতি থকা দেখা যায়। অৰ্থাৎ সংঘাত নোহোৱা জীৱন নাই বুলিয়ে ক'ব পাৰি।

**খ) সামাজিক সংঘাত (Social Conflict) ঃ** মানুহ সমাজপ্ৰিয় জীৱ। সমাজৰ পৰাই মানুহৰ জ্ঞানৰ আদিপাঠ আৰম্ভ হয়। সমাজত বিভিন্ন প্ৰকৃতিৰ তথা ধৰ্ম, সম্প্ৰদায়, বৰ্ণ, ভাষা, গোষ্ঠী আদিৰ লোকে বসবাস কৰে। প্ৰতিখন সমাজৰ ৰীতি-নীতি, পৰম্পৰা পৃথক পৃথক হোৱা দেখা যায়। এনে পৃথক প্ৰকৃতিৰ সমাজ ব্যৱস্থাৰ মাজত মাজে সময়ে সংঘাত সৃষ্টি হোৱা দেখা যায়। বিভিন্ন কাৰক বা সৰু সুৰা মুখৰোচক ঘটনাৰ পৰাও সামাজিক সংঘাত সৃষ্টিৰ বহু উদাহৰণ আছে।

**গ) অনুষ্ঠান-প্ৰতিষ্ঠানৰ আন্তঃসংঘাত (Inter Conflict of Institutions) ঃ** বিশ্বত বিভিন্ন ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান আছে। ইয়াৰে কিছুমানে অৰ্থনৈতিক, বাণিজ্যিক আদি বিষয়ত কাম কৰাৰ দৰে আন কিছুমান শিক্ষা, স্বাস্থ্য, উদ্যোগ, কল-কাৰখানা, শান্তি-স্থাপন ইত্যাদি বিভিন্ন দিশত কাৰ্য সম্পাদন কৰে। এই অনুষ্ঠান প্ৰতিষ্ঠান বা সংস্থা আদিৰ মাজত মাজে সময়ে তুমুল প্ৰতিদ্বন্দ্বিতা হোৱা দেখা যায়। এই প্ৰতিদ্বন্দ্বিতাই বহু সময়ত সংঘাতৰ ৰূপ লয়।

**ঘ) দলীয় সংঘাত (Party Conflict) ঃ** ৰাজনৈতিক দল হৈছে গণতন্ত্ৰৰ আত্মাস্বৰূপ। এই দলবিলাকৰ মূল কাৰ্য হৈছে নিজ দলৰ অনুকূলে প্ৰচাৰ কাৰ্য চলোৱা আৰু অন্য দল বা নেতাক সততে সমালোচনা কৰা। দলীয় ৰাজনীতিত সমালোচনা তথা তীৰ্যক মন্তব্য সাধাৰণ ঘটনা বুলি কোৱা হয় যদিও এনে সমালোচনা আৰু মন্তব্যই বিশ্বৰ প্ৰায়বোৰ দেশতে মাৰাত্মক সংঘাতৰ ৰূপ ধাৰণ কৰা দেখা যায়।

**ঙ) আন্তঃৰাজ্যিক সংঘাত (Inter State Conflict) ঃ** সাধাৰণতে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত যিবোৰ সংযুক্ত ৰাজ্য বা অংগ ৰাজ্য বা প্ৰদেশ আদি থাকে, সেই ৰাজ্য বা প্ৰদেশসমূহৰ মাজত মাজে সময়ে বিভিন্ন কাৰণত সংঘাত সৃষ্টি হোৱা দেখা যায়। উদাহৰণস্বৰূপে, আমাৰ দেশৰ বিভিন্ন ৰাজ্যৰ মাজত সংঘাত সৃষ্টি হৈ



Scanned with OKEN Scanner

মাজে সময়ে ভয়াবহ ৰূপ ধাৰণ কৰা দেখা যায়। ২০২১ চনত অসম-মিজোৰাম সংঘাত, অসম-মেঘালয় সংঘাত আদিৰ মূল কাৰক হৈছে সীমা বিবাদ। ঠিক সেইদৰে তামিলনাডু আৰু কৰ্ণাটকৰ মাজত বহু বছৰ ধৰি কাবেৰী জল বিবাদ অব্যাহত আছে। পঞ্জাব আৰু হাৰিয়াণাৰ মাজত চণ্ডীগড় চহৰক কেন্দ্ৰ কৰি আন্তঃৰাজ্যিক বিবাদ চলি থকাটো সৰ্বজন বিদিত।

চ) **আন্তঃৰাষ্ট্ৰীয় সংঘাত (International Conflict)** ঃ ব্যক্তি বা সমাজৰ দৰে, বিশ্বত যিমানবোৰ ৰাষ্ট্ৰ আছে, সেইবোৰৰ মাজতো প্ৰায়ে সংঘাত সৃষ্টি হোৱা দেখা যায়। উদাহৰণস্বৰূপে ভাৰত-পাকিস্তান সংঘাত, ভাৰত-চীন সংঘাত, চীন-আমেৰিকা যুক্তৰাষ্ট্ৰ সংঘাত, ইৰাণ-ইজৰাইল সংঘাত, জাৰ্মানী-ফ্ৰান্স সংঘাত ইত্যাদি ইত্যাদি। বিশ্বৰ এনে কোনো দেশ নাই, যি দেশৰ সৈতে অন্য কোনো এখন দেশৰ লগত শত্ৰুতা বা সংঘাত নাই। দৰাচলতে সংঘাত হৈছে ৰাষ্ট্ৰবোৰৰ এক স্বাভাৱিক ৰাজনৈতিক প্ৰক্ৰিয়াগত চৰিত্ৰ। এনে সংঘাত স্বাৰ্থকেন্দ্ৰিক আৰু আদৰ্শগত কাৰণত সৃষ্টি হোৱা দেখা যায়।

**আন্তঃৰাষ্ট্ৰীয় সংঘাতৰ কাৰণ (Causes of International Conflict)ঃ**

দুই বা ততোধিক ৰাষ্ট্ৰৰ মাজত কোনো বিষয়ক কেন্দ্ৰ কৰি পাৰস্পৰিক সংঘাত সৃষ্টি হ'লে তাক আন্তঃৰাষ্ট্ৰীয় সংঘাত বুলি কোৱা হয়। আন্তঃৰাষ্ট্ৰীয় সংঘাত সৃষ্টিৰ বহুতো কাৰণ আছে।

১। **সীমা বিবাদ (Boundary Clash)** ঃ আন্তঃৰাষ্ট্ৰীয় সংঘাত সৃষ্টিৰ অন্যতম প্ৰধান কাৰণ হৈছে ৰাষ্ট্ৰসমূহৰ মাজৰ সীমা বিবাদ। সীমা সমস্যাকলৈ বহু ৰাষ্ট্ৰৰ মাজত যুগ যুগ ধৰি সংঘাত চলি অহা দেখা যায়। উদাহৰণস্বৰূপে, ভাৰত-পাকিস্তান, ভাৰত-চীন, উত্তৰ-কোৰিয়া আৰু দক্ষিণ কোৰিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ-কানাডা, ইৰাণ-ইৰাক, ৰাছিয়া ইউক্ৰেইন, জাৰ্মানী-ফ্ৰান্স ইত্যাদি ৰাষ্ট্ৰসমূহৰ মাজত সীমা বিবাদৰ ফলত সময়ে সময়ে চৰম উত্তেজনা তথা যুদ্ধ সংঘটিত হোৱা দেখা যায়। ১৯৬২ চনত ভাৰত-চীন যুদ্ধ, ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধ, ১৯৫৩ চনৰ কোৰিয়া যুদ্ধ আদি সীমা বিবাদৰ পৰিণতিত সংঘটিত হৈছিল।

২। **আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ (Interfere on Internal Affairs)ঃ** কোনো ৰাষ্ট্ৰই অন্য ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত অযথা হস্তক্ষেপ কৰিলে সংঘাত অনিবাৰ্য হৈপৰে। আমাৰ প্ৰতিবেশী দেশ চীন লাডাখ আৰু অৰুণাচল প্ৰদেশৰ বিষয়ত হস্তক্ষেপ



Scanned with OKEN Scanner

কৰাৰ ফলত প্ৰচণ্ড সংঘাত সৃষ্টি হোৱাৰ বহুত উদাহৰণ আছে। ঠিক সেইদৰে আমেৰিকা যুক্তৰাষ্ট্ৰই বহু দেশৰ আভ্যন্তৰীণ বিষয়ত অনৈতিকভাৱে হস্তক্ষেপ কৰাৰ বাবে সংঘাত সৃষ্টি হোৱা দেখা যায়।

৩। **আদৰ্শগত সংঘাত (Ideological Conflict) ঃ** আদৰ্শগত কাৰণতো ৰাষ্ট্ৰসমূহৰ মাজত সংঘাত সৃষ্টি হোৱা দেখা যায়। প্ৰথম বিশ্বযুদ্ধৰ পিছৰ পৰা গা কৰি উঠা সাম্যবাদী আদৰ্শৰ বিৰোধিতাৰে ইউৰোপ আৰু আমেৰিকাৰ কিছুমান দেশত সাম্যবাদ বিৰোধী ধাৰণা গঢ়ি উঠিছিল। ইয়াক প্ৰতিৰোধ কৰাৰ বাবে দ্বিতীয় মহাযুদ্ধৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত পুঁজিবাদী আদৰ্শ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ ট্ৰুমেন আঁচনি আৰু মাৰ্শ্বল আঁচনি গ্ৰহণ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাছিয়াই পুঁজিবাদী আৰু সাম্যবাদী আদৰ্শ বিস্তাৰৰ কাৰণে পাৰস্পৰিক প্ৰতিদ্বন্দ্বিতাত লিপ্ত হোৱা বাবে শীতল যুদ্ধৰ আৰম্ভণি হৈছিল। এই যুদ্ধৰ ফলত বিশ্ব ৰাজনৈতিক ব্যৱস্থা অস্থিৰ তথা উত্তেজনাপূৰ্ণ হৈছিল। বৰ্তমানে শীতল যুদ্ধৰ প্ৰভাৱ হ্ৰাস পালেও আদৰ্শৰ সংঘাত অব্যাহত আছে। আমেৰিকা আৰু চীন দেশৰ মাজৰ দ্বন্দ্বক আদৰ্শগত সংঘাত বুলি অভিহিত কৰিব পাৰি।

৪। **ভূখণ্ড চামিলকৰণ (Annexation of Territory) ঃ** এখন দশৰ কোনো অঞ্চল বা ভূ-খণ্ড অন্য এখন দেশে নিজ দেশৰ লগত চামিল কৰিবলৈ বিচাৰৰ ফলতো আন্তঃৰাষ্ট্ৰীয় সংঘাত আৰম্ভ হয়। ১৯৯১ চনত ইৰাক নামৰ দেশখনে কুৱেটক নিজৰ দেশৰ মাজত তুমুল সংঘাত সৃষ্টি হৈছিল। পাছতপাৰস্য উপ-সাগৰীয় যুদ্ধৰ জৰিয়তে সেই সংঘাত নিৰাময় হয়। ইৰাকে ইয়াৰ ফলত ভালেমান ক্ষেত্ৰত প্ৰচুৰ ক্ষয়-ক্ষতিৰ সন্মুখীন হোৱাৰ উপৰিও পৰৱৰ্তী পৰ্যায়ত ইৰাকৰ ৰাষ্ট্ৰপতি ছাদ্দাম হুছেইনক আমেৰিকা নেতৃত্বাধীন সংযুক্ত বাহিনীয়ে মৃত্যুদণ্ড বিহিছিল। সেইদৰে প্ৰথম বিশ্বযুদ্ধৰ সময়ত জাৰ্মানীয়ে ফ্ৰান্সৰ আলচাচ আৰু লৰেইন অঞ্চল নিজ দেশৰ ভূ-খণ্ডৰ সৈতে চামিল কৰিব বিচৰাত দুয়োখন দেশৰ মাজত ঘোৰ শত্ৰুতা সৃষ্টি হৈছিল।

৫। **মুক্তি আন্দোলন বা স্বাধীনতা সংগ্ৰাম (Salvation movement or Freedom Struggle) ঃ** এখন দেশক অন্য দেশে পৰাধীন কৰি ৰখাৰ ফলতো দুয়োখন দেশৰ মাজত সংঘাত সৃষ্টি হ'ব পাৰে। অৰ্থাৎ পৰাধীন ৰাষ্ট্ৰখনৰ জনসাধাৰণে স্বাধীনতা আৰু মুক্তিৰ দাবী উত্থাপন কৰি আন্দোলন বা সংগ্ৰামত লিপ্ত হ'লে দখলকাৰী ৰাষ্ট্ৰখনৰ লগত স্বাভাৱিকতে সংঘাত সৃষ্টি হয়। এই সংঘাতে হিংসাত্মক ৰূপ লোৱাও



Scanned with OKEN Scanner

দেখা যায়। উদাহৰণস্বৰূপে, ইংৰাজসকলে ভাৰতবৰ্ষক প্ৰায় ২০০ বছৰ কাল অধীনস্থ কৰি ৰাখিছিল। এই সময়ছোৱাত তেওঁলোকে ভাৰতীয় মানুহৰ ওপৰত অত্যাচাৰ, উৎপীড়ন আৰু শোযন চলাইছিল। ইয়াৰ পৰা মুক্তি লাভৰ কাৰণে ভাৰতীয় অসাধাৰণে স্বাধীনতা সংগ্ৰামত লিপ্ত হৈছিল। ফলস্বৰূপে সংঘাত আৰম্ভ হৈছিল। এই সংঘাত শান্তিপূৰ্ণ আৰু সশস্ত্ৰ-উভয় প্ৰকৃতিৰ আছিল।

৬। **জাতীয় স্বাৰ্থ (National Interest) :** সাধাৰণতে বিশ্বৰ সকলো ৰাষ্ট্ৰই নিজৰ জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদান কৰে। জাতীয় স্বাৰ্থ হৈছে নিজৰ দেশৰ সুবিধা আৰু সম্পদ আহৰণৰ কাৰণে অন্য দেশৰ ভাল-বেয়া চিন্তা নকৰি নিজ কাৰ্য সম্পাদন কৰা। বৈদেশিক নীতিৰ জৰিয়তে এনে স্বাৰ্থ পূৰণৰ ব্যৱস্থা কৰা হয়। হিটলাৰ, মুছোলিনী আদিৰ দৰে নেতাই সাম্ৰাজ্য বৃদ্ধিৰ বাবে আক্ৰমনাত্মক বৈদেশিক নীতি গ্ৰহণ কৰাকে জাতীয় স্বাৰ্থ বুলি ভাৱিছিল। এনে স্বাৰ্থই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি উত্তেজনাপূৰ্ণ কৰি তোলাৰ লগতে সংঘাত সৃষ্টিৰ নতুন নতুন ক্ষেত্ৰ তৈয়াৰ কৰে।

৭। **জাতিগত বিৰোধ (Ethnic Clash) :** বিশ্বৰ বিভিন্ন দেশত বিভিন্ন জাতি, জনগোষ্ঠীৰ লোকে বসবাস কৰে। ইয়াত শ্বেতাংগ-কৃষ্ণাংগ জাতিৰ ওপৰিও আন বহুতো নৃ-গোষ্ঠীয় লোক আছে। প্ৰতিটো জাতি-জনগোষ্ঠী তথা নৃ-গোষ্ঠীয় লোকৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সাজপাৰ, খাদ্যাভাস, জীৱন-জীৱিকা আদি পৃথক পৃথক প্ৰকৃতিৰ হোৱা দেখা যায়। এনে পৃথক চৰিত্ৰৰ কাৰণে বহু দেশত নৃ-গোষ্ঠীয় বা জাতিগত সংঘাত সৃষ্টি হোৱা দেখা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰত কৃষ্ণাংগ বা শেতাংগ সকলৰ বিৰোধ দীৰ্ঘদিনীয়া।

৮। **অৰ্থনৈতিক কাৰণ (Economic Factor) :** আন্তঃৰাষ্ট্ৰীয় বিৰোধ বা সংঘাত সৃষ্টিত অৰ্থনৈতিক কাৰকেও গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱা দেখা যায়। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ আৰ্থিক প্ৰাধান্য বজাই ৰখাৰ কাৰণে ভালেমান দেশৰ অৰ্থনৈতিক নীতিৰ ওপৰত হস্তক্ষেপ কৰিছিল। ইয়াক ফলত সেই দেশসমূহৰ লগত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংঘাত আৰম্ভ হৈছিল। তদুপৰি General Agreement on Trade and Tariff চমুকৈ GATT চুক্তিৰ জৰিয়তে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কেইখনমান ইউৰোপীয় ৰাষ্ট্ৰ লগ লাগি উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক নীতিৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিবলৈ যি কৌশল ৰচনা কৰিছিল, সেই কাৰ্যই বহু দেশৰ লগত আমেৰিকা আৰু ইয়াৰ সহযোগী ইউৰোপীয়য় দেশসমূহৰ মাজত সংঘাত আৰম্ভ হৈছিল।



Scanned with OKEN Scanner

আন্তঃৰাষ্ট্ৰীয় সংঘাত সৃষ্টিৰ কাৰণসমূহ ফহিয়াই চালে দেখা যায় যে ৰাষ্ট্ৰসমূহৰ মাজত প্ৰায়ে কোনো এটা কাৰণ বা কেতিয়াবা বহু কেইটা কাৰণ লগ লাগি, সংঘাত সৃষ্টি হয়। সংঘাত সৃষ্টিৰ কাৰণে চৰম স্বাৰ্থপৰ প্ৰকৃতিৰ একনায়কত্ববাদী নেতা আৰু অপৰিপক্ক বৈদেশিক নীতিত দায়ী বুলি গণ্য কৰা হয়। আকৌ কোনো কোনো দেশে প্ৰতিদ্বন্দ্বী তথা চুবুৰীয়া ... লগত সন্মুখ সমৰত লিপ্ত হ'বলৈ সাহস নকৰি তেনে .....

**সংঘাতৰ বৈশিষ্ট্য (Characteristics of Conflict) :** সংঘাতৰ ধাৰণা, অৰ্থ, সংজ্ঞা আৰু কাৰণসমূহ বিশ্লেষণ কৰিলে, ইয়াৰ কিছুমান বৈশিষ্ট্য থকা দেখা যায়। সেইবোৰ হ'ল—

১। সংঘাত হৈছে এক প্ৰক্ৰিয়া (Conflict is a process)।

২। সংঘাত অনিবাৰ্য/ইয়াক নিৰ্মূল কৰা সম্ভৱ নহয়।

৩। সংঘাত হৈছে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এটা অংশ।

৪। সংঘাতক উপলব্ধি বুলিও ক'ব পাৰি।

৫। সংঘাতৰ লগত বিৰোধ জড়িত হৈ থাকে।

৬। সংঘাত হৈছে পৰস্পৰ নিৰ্ভৰশীল আৰু পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ লগত সম্পৰ্কিত বিষয়।

৭। প্ৰতিখন ৰাষ্ট্ৰই সংঘাতৰ দ্বাৰা কম-বেছি পৰিমাণে আক্ৰান্ত হোৱা দেখা যায়।

৮। সংঘাত একমাত্ৰা বিশিষ্ট বিষয় নহয়। ইয়াৰ সৈতে অন্য বহুতো ক্ৰিয়া-প্ৰতিক্ৰিয়া, বিষয় আদি যুক্ত হৈ থাকে।

সংঘাতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিলে দেখা যায় যে ইয়াৰ বহুতো দিশ আছে। সেই দিশ সমূহ আকৌ পাৰস্পৰিক নিৰ্ভৰশীল। সাধাৰণতে ৰাষ্ট্ৰ নেতাসকলৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভিন্ন ভিন্ন ৰূপ পৰিস্ফুট হোৱা দেখা যায়।

**সংঘাত নিৰসন (Conflict Resolution) :**

সংঘাত নিৰসন হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা শান্তিপূৰ্ণ উপায়েৰে সংঘাত বা বিবাদ মীমাংসা কৰাৰ চেষ্টা কৰা হয়। সংঘাত নিৰসনৰ অৰ্থ হৈছে হিংসাত্মক পন্থাৰ পৰিৱৰ্তে বিভিন্ন ধৰণৰ মাধ্যম আৰু পদ্ধতি অৱলম্বন কৰি শান্তি আৰু সৌহাৰ্দপূৰ্ণ



Scanned with OKEN Scanner

পৰিৱেশ ৰচনা কৰা। সেয়েহে কোৱা হয় যে দুই বা ততোধিক ৰাষ্ট্ৰই অনানুষ্ঠানিক বা আনুষ্ঠানিক পদ্ধতিৰে তেওঁলোকৰ মাজত উদ্ভৱ হোৱা বিৰোধ বা সংঘাতৰ শান্তিপূৰ্ণ সমাধান কৰা প্ৰয়াসক সংঘাত নিৰসহ বুলি কোৱা হয়।

**সংঘাত নিৰসনৰ ইতিহাস (History of Conflict Resolution) ঃ** মানুহৰ স্বভাৱগত জীৱন পদ্ধতিত সংঘাতৰ উপস্থিতি পৰিস্ফুট হয়। সংঘাতত লিপ্ত ব্যক্তি বা ৰাষ্ট্ৰই সদায় প্ৰতিপক্ষক নিঃশেষ কৰাৰ চেষ্টা কৰে। প্ৰাচীন কালৰ পৰা আধুনিক যুগৰ মধ্যভাগলৈ সংঘাত নিৰসনৰ শান্তিপূৰ্ণ উপায় সম্পৰ্কে বহলাই আলোচনা অনুষ্ঠিত হোৱা নাছিল। তদুপৰি এই সময়ছোৱাৰ ভিতৰত সংঘাত সৃষ্টিৰ ফলত সঘনাই যুদ্ধ বিগ্ৰহ সংঘটিত হৈছিল। সেইবোৰ সমাধানৰ কাৰণে কোনো ধৰণৰ আনুষ্ঠানিক ব্যৱস্থা প্ৰায় নাছিলেই। সন্ধি, মিত্ৰতা আদিৰ দ্বাৰা কেতিয়াবা কেতিয়াবা দুই বা ততোধিক ৰাষ্ট্ৰই নিজৰ সামৰিক শক্তিৰ বিৰুদ্ধে কচৰৎ কৰিছিল। ১৬৪৮ চনত পোন প্ৰথমবাৰৰ কাৰণে ওৱেষ্টফেলিয়া চুক্তি সম্পাদন কৰি আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু সেই চুক্তিকো সংঘাত নিৰসনৰ আনুষ্ঠানিক প্ৰক্ৰিয়া হিচাপে বহু ৰাজনৈতিক বিশ্লেষকে মান্যতা প্ৰদান কৰিব নোখোজে। এই সকলৰ পণ্ডিতৰ মতে, সাম্প্ৰতিক সময়ৰ সংঘাত নিৰসন ব্যৱস্থা আৰু পৰম্পৰাগত ব্যৱস্থাৰ মাজত বহু পাৰ্থক্য আছে। সেই পাৰ্থক্য সমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে এই যে সাম্প্ৰতিক সময়ত সংঘাত নিৰসনৰ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই প্ৰক্ৰিয়াৰ মাধ্যমত উভয় পক্ষৰ পাৰস্পৰিক লাভালাভৰ কথা চিন্তা কৰা হয়। তদুপৰি, সাম্প্ৰতিক সময়ত সংঘাত নিৰসন ব্যৱস্থাক শৈক্ষিক গৱেষণা আৰু তত্ব নিৰ্মাণৰ ওপৰত গুৰুত্ব দিয়া হয়; যিটো পৰম্পৰাগতভাৱে কৰা হোৱা নাছিল। সেইদৰে সাম্প্ৰতিক সময়ত সংঘাত নিৰসনৰ জৰিয়তে যিকোনো বিৰোধ বা সংঘাতক লঘু কৰিবলৈ চেষ্টা কৰা হয়, যাতে ইয়াৰ ফলত যুদ্ধ বিগ্ৰহ সংঘটিত নহয়। শেষত, বৰ্তমান সময়ত সংঘাতৰ নিৰসনৰ ক্ষেত্ৰত বাহ্যিক মধ্যস্থতাকাৰীক ভূমিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। পৰম্পৰাগতভাৱে সংঘাত নিৰসনৰ ক্ষেত্ৰ এইবোৰ ব্যৱস্থা প্ৰয়োগ হোৱা নাছিল।

অৱশ্যে সাম্প্ৰতিক কালৰ সংঘাত নিৰসন ব্যৱস্থাৰ ভালেমান দিশ আৰু প্ৰক্ৰিয়া ঐতিহাসিকভাৱে .....। ইয়াৰ অন্যতম এটা অংশ হৈছে যিকোনো প্ৰকাৰে হিংসাত্মক পৰিস্থিতি বন্ধ কৰা আৰু শান্তি স্থাপনৰ বাট মুকলি কৰা। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আন কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হয়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে হিংসাত্তোৰ সান্ত্বনা প্ৰদান (Post violence Reconciliation), ন্যায়ৰ পৰিসৰ বৃদ্ধি,

সংঘাত নিৰসনা ব্যৱস্থাপনা স্থাপন আদি। বিশ্বৰ বিভিন্ন প্ৰান্তত বিশেষকৈ ইউৰোপ আৰু আমেৰিকাত ১৭৭০ চনৰ পিছত সংঘটিত হিংসাত্মক বিপ্লৱৰ সময়ত কিছুমান ৰাজনৈতিক চিন্তাবিদে শাসন ব্যৱস্থাত জনসাধাৰণৰ অংশ গ্ৰহণ আৰু মৌলিক অধিকাৰৰ ব্যৱস্থাৰ মাধ্যমত স্বেচ্ছাচাৰী শাসন ব্যৱস্থা মষিমূৰ কৰি সংঘাত নিৰসন কৰিব বিচাৰিছিল। এইসকল চিন্তাবিদৰ ভিতৰত উল্লেখযোগ্য আছিল ভল্টেয়াৰ (১৬৯৪-১৭৭৮), ৰুছো ১৭১২-১৭৭৮), আদাম স্মিথ (১৭২৩-১৭৯০), থমাছ জেফাৰছন (১৭৪৩-১৮২৬) আৰু জেমছ মেডিছন (১৭৫১-১৮৩৬)। এইখিনি সময়ত সংঘাত সংক্ৰান্তত নৈতিক আৰু ব্যৱহাৰিক বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। উদাহৰণস্বৰূপে, ইমানুৱেল কান্টে (১৭২৪-১৮০৪) গণৰাজ্য ব্যৱস্থাৰ জৰিয়তে চিৰস্থায়ী শান্তি স্থাপন কৰিব বিচাৰিছিল। সেইদৰে জন ষ্টুৱাৰ্ট মিলে (১৮০৬-১৮৭৩) স্বতন্ত্ৰতাৰ মূল্য আৰু স্বাধীনচেতিয়া মতামত প্ৰকাশৰ ওপৰত জোৰ দিছিল।

এইসকল মহান চিন্তাবিদৰ ওপৰিও কাৰ্লমাৰ্ক্স (১৮১৮-১৮৮৩) আৰু তেওঁৰ অনুগামীসকলে পুঁজিবাদী ব্যৱস্থা ধ্বংস হলেহে শান্তি স্থাপন হ'ব বুলি বিভিন্ন ক্ষেত্ৰত মত প্ৰকাশ কৰিছে। ইয়াৰ বাবে তেওঁ শ্ৰেণী সংগ্ৰামক একমাত্ৰ বিকল্প হিচাপে যুক্তি দাঙি ধৰিছে। মাৰ্ক্সৰ বিপৰীতে আমাৰ ভাৰতবৰ্ষৰ মহান চিন্তাবিদ মহাত্মা গান্ধীয়ে অহিংসা আৰু সত্যাগ্ৰহৰ জৰিয়তে সংঘাত নিৰসন আৰু শান্তি স্থাপনত গুৰুত্ব আৰোপ কৰিছিল আৰু সফলো হৈছিল।

সংঘাত নিৰসন আৰু শান্তি স্থাপনৰ পটভূমিলৈ চালে ইয়াৰ বিকাশ আৰু উত্তৰণক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'ল—

১। প্ৰাথমিক পৰ্যায় (১৯১৪-১৯৪৫)

২। ভিত্তি স্থাপন পৰ্যায় (১৯৪৬-১৯৬৯)

৩। সম্প্ৰসাৰণ আৰু প্ৰতিষ্ঠানিকীকৰণ (১৯৭০-১৯৯৮৯) আৰু

৪। বিকিৰণ আৰু পৃথকীকৰণ (১৯৮৯ চনৰ পৰা ...)

**১। প্ৰাথমিক পৰ্যায় (১৯১৪-১৯৪৫) (Preliminary Stage)ঃ** ১৯১৪-১৯১৮ চনৰ সময়ছোৱাত প্ৰথম বিশ্ব যুদ্ধই অসংখ্য মানুহৰ প্ৰাণহানি কৰিছিল। সা-সম্পত্তি আৰু মূল্যৱান সামগ্ৰীও ধ্বংসপ্ৰাপ্ত হৈছিল। ইয়াৰ পৰা পৰিত্ৰাণ লাভৰ কাৰণে বিভিন্ন সংস্থা, ব্যক্তি আদিয়ে চেষ্টা কৰিছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য আছিল



Scanned with OKEN Scanner

IFOR (International FOR) নামৰ এটা সংস্থা। এই সংস্থাটোৱে অহিংসা বা যুদ্ধৰ অৱসান ঘটাই মানৱ কল্যানৰ কাৰণে কাম কৰিবলৈ ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনাইছিল। .... ১৯৩০ চনত আৰম্ভ হোৱা বিশ্ব অৰ্থনৈতিক সংকট, ইটালি আৰু জাৰ্মানীত উত্থান ঘটা ফেচিবাদ আৰু নাজীবাদ তথা ছোভিয়েট ৰাছিয়াৰ ষ্টেলিনবাজ আদি ঘটনাই IFOR ৰ দৰে সংস্থাৰ শান্তি আৰু মানৱাধিকাৰৰ ধাৰণাক নস্যাৎ কৰিছিল। সেইদৰে IFOR নামৰ সংস্থাটোৰ সমান্তৰালভাৱে US FOR নামৰ আন এটা সংস্থায়ো সংঘাত নিৰসনৰ উপায় উদ্ভাৱনৰ বিষয়ে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছিল।

প্ৰথম বিশ্বযুদ্ধৰ সূচনা পৰ্বৰ পৰা ২য় বিশ্বযুদ্ধ সমাপ্ত হোৱালৈ সামাজিক উন্নয়ন সম্পৰ্কীয় ভালেমান কাৰ্য সম্পাদন কৰা হৈছিল। এইবোৰ যুদ্ধ আৰু সংঘাতৰ ফলশ্ৰুতিত সম্পাদন হৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণিৰ পৰা ২য় বিশ্ব যুদ্ধৰ সামৰণি কালছোৱাত সংঘাত নিৰসনৰ বাবে ভালেমান গৱেষণাধৰ্মী অধ্যয়নৰ সূচনা কৰা হৈছিল। যিসকল গৱেষক চিন্তাবিদে এনে অধ্যয়নৰ পাতনি মেলিছিল, সেই সকলৰ ভিতৰত উল্লেখযোগ্য হৈছে কুইঞ্চি ৰাইট, পিটিৰিম ছৰোকিন, জন ডলাৰ্ড আদি। তেওঁলোকে অস্ত্ৰ প্ৰতিযোগিতা, যুদ্ধৰ পুনৰাবৃত্তি মনোবৈজ্ঞানিক কাৰক ইত্যাদি সম্পৰ্কে আলোচনা কৰি সংঘাত নিৰসনৰ তত্ত্ব নিৰ্মানত মনোনিবেশ কৰিছিল।

**২। ভিত্তি স্থাপন পৰ্যায় (Laying the Ground Work) ঃ** ১৯৪৬ চনৰ পৰা ১৯৬৯ চনৰ সময়ছোৱাত সংঘাত নিৰসনৰ ভিত্তি স্থাপনৰ কাৰণে চেষ্টা কৰা হৈছিল। এইখিনি সময়ৰ ভিতৰত বহু দেশে চৰকাৰীভাৱে আৰু লগতে কিছুমান স্বেচ্ছাসেৱী সংগঠনে সাম্প্ৰতিক সময়ৰ সংঘাত সমাধানৰ সূত্ৰ উদ্ভাৱনত গুৰুত্ব আৰোপ কৰিছিল। ৰাষ্ট্ৰসংঘ, ইউনেস্কো (UNESCO), বিশ্ব বেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানীধি স্থাপন আদি আছিল সংঘাত নিৰসনৰ একো একোটা বৃহৎ পদক্ষেপ।

কিন্তু এনে প্ৰচেষ্টাৰ মাজতো বহু ধৰণৰ যুদ্ধ বিগ্ৰহ সংঘটিত হৈছিল। শীতল যুদ্ধই পৃথিৱীখনক ভয়ংকৰ বিপদৰ মুখলৈ ঠেলি দিছিল। আকৌ আন কিছুমান দেশত স্বাধীনতা সংগ্ৰাম আৰু মুক্তি যুদ্ধই ভংয়কৰ ৰূপ ধাৰণ কৰিছিল। তৎস্বত্বেও সংঘাত নিৰসনৰ মিছাইল সংকট আদি শান্তিপূৰ্ণভাৱে আলাপ-আলোচনাৰ জৰিয়তে সমাধা কৰিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাৰ শান্তি আলোচনাত মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আৰু অহিংসা নীতিয়ে বিশ্ববাসীৰ সন্মুখত আদৰ্শ হিচাপে বিবেচিত হৈছিল।



Scanned with OKEN Scanner

১৯৫০ আৰু ১৯৬০ ৰ দশকত আমেৰিকা যুক্তৰাষ্ট্ৰত সাম্প্ৰতিক সময়ৰ সংঘাত নিৰসনৰ বাবে গৱেষণা আৰু তত্ত্ব নিৰ্মাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছিল। ১৯৫০ ৰ দশকত হাৰ্বাৰ্ড কেলমেন, কেনেথ বল্ডিং, এনাটল ৰেপোপোৰ্ট, হাৰল্ড লাছওৱেল, লুডউইগ ভন বাৰ্টালানিফ আৰু ষ্টিফেল বিচাৰ্ডছনে নানা ধৰণৰ গৱেষণাধৰ্মী কাৰ্যৰ লগতে যুদ্ধ বিৰোধী বাতৰি, ইস্তাহাৰ, সংক্ষিপ্ত চলচ্চিত্ৰ (Short Film) আদি তৈয়াৰ কৰি সেইবোৰ প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল। এইবোৰৰ উদ্দেশ্য আছিল যুদ্ধ বিৰোধী জনমত গঠন কৰা আৰু শান্তিপূৰ্ণভাৱে সংঘাত সমাধান কৰা। ১৯৬৩ চনত ডেভিড ছিঙাৰে যুদ্ধ বিৰোধী প্ৰকল্প হাতত লৈছিল। ঠিক তেনেকৈ ক্ৰীড়া তত্ত্ব )ৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা আৰু সেই তত্ত্বৰ আধাৰত সংঘাত নিৰসনৰ বাবে উক্ত সময়ছোৱাত অধ্যয়ন আৰু তত্ত্ব নিৰ্মাণত মনোনিবেশ কৰা হৈছিল। সংঘাত নিৰসনৰ আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল ১৯৫৯ চনত নৰৱে'ৰ ওছেলো'ত গঠন কৰা International Peace Research Institute নামৰ এক সংস্থা। ইয়াক PRIO (Peach Research Institute Organisation) ....। এই সংঘাত প্ৰথম সভাপতি আছিল জন গল্টুং (John Galtung)। তেওঁৰ সম্পাদনাত ১৯৬৬ চনত Journal of Peace Research নামৰ এখনি পত্ৰিকা প্ৰকাশ পাইছিল। ১৯৬৯ চনত তেওঁক ওছেলো বিশ্ববিদ্যালয়ত 'Conflict and Peace Research' শীৰ্ষক পদবীত অধ্যাপক হিচাপে নিযুক্তি দিয়া হৈছিল।

তদুপৰি ১৯৬৬ চনত ছুইডেনৰ ষ্টকহ'মত International Peace Research Institute নামৰ এটি সংস্থা গঠন কৰা হৈছিল। ইয়াক SIPRI (Sweden Internation Peace Research Institute) বুলি জনা যায়। আকৌ ১৯৬৮ চনত ছুইজাৰলেণ্ডৰ বানী চহৰত 'Swiss Peace' নামৰ আন এটি সংস্থা গঠন কৰা হৈছিল। এইবোৰৰ সমান্তৰালভাৱে সংঘাত নিৰসন আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণে কিছুমান কৰ্মশালা (workshop)ৰ আয়োজন কৰা হৈছিল। অৰ্থাৎ ১৯৪৬ চনৰ পৰা ১৯৬৯ চনৰ সময়ছোৱাত সংঘাত নিৰসন আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণে বৌদ্ধিক আৰু শৈক্ষিক ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ গৱেষণাধৰ্মী আৰু তত্ত্ব নিৰ্মাণ সম্পৰ্কীয় কাৰ্য সম্পাদন কৰা হৈছিল।

**৩। সম্প্ৰসাৰণ আৰু প্ৰতিষ্ঠানিকীকৰণ (Expansion and Institutionalization)ঃ** ১৯৭০ চনৰ পৰা ১৯৮৯ চনৰ সময়ছোৱাত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত তিনিটা গুৰুত্বপূৰ্ণ পৰিৱেশ ৰচনা হৈছিল। ইয়াৰে প্ৰথমটো আছিল শীতল

Scanned with OKEN Scanner

যুদ্ধৰ নিয়ন্ত্ৰণৰ লগতে আমেৰিকা ... অস্ত্ৰ-শস্ত্ৰ সীমিতকৰণ সম্পৰ্কীয় ভালেমান গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ হৈছিল। দ্বিতীয়তে, চীন দেশৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্ক স্বাভাৱিক কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছিল। তৃতীয়তে, বিশ্ব জুৰি নাগৰিক অধিকাৰ ৰক্ষা কৰা, পৰিৱেশ সংৰক্ষণ কৰা, ভিয়েটনাম যুদ্ধ বিৰোধী জনমত গঢ়ি উঠা, মহিলা, শিশু, ছাত্ৰ আৰু অন্যান্য সামাজিক সংস্থাই নিজ নিজ কাৰ্যসূচীৰে মানৱাধিকাৰৰ হকে কাম কৰিবলৈ লোৱাৰ ফলত সংঘাত নিৰসনৰ বিকল্প ব্যৱস্থা শক্তিশালী হৈছিল।

১৯৭০ আৰু ১৯৮০ ৰ দশকত বিৰোধ নিৰসৰন বিকল্প পথৰ সন্ধান (Alternative Dispute Resolution চমুকৈ ADR) কৰা হৈছিল। ইয়াৰ দ্বাৰা স্ব-নিযুক্ত মধ্যস্থতাকাৰী ব্যৱস্থা হাতত লোৱা হৈছিল। শৈক্ষিক আৰু অনা-শৈক্ষিক ক্ষেত্ৰত গ্ৰন্থ, প্ৰবন্ধ আদি প্ৰকাশৰ লগতে গৱেষণা কাৰ্যত সমানে চলাই থকা হৈছিল। এই সময়তে উইলিয়াম আৰু ফ্লৰা হিউলেট ফাউণ্ডেচন গঠন কৰা হৈছিল। আকৌ ১৯৮০ আৰু ১৯৯০ ৰ দশকত বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানত সংঘাত নিৰসনৰ বাবে Graduate Programme আৰম্ভ কৰা হৈছিল। এইবোৰৰ উপৰিও অন্যান্য কিছুমান সংস্থা আৰু ব্যক্তিয়েও সংঘাত নিৰসনৰ বাবে উদ্যম গ্ৰহণ কৰিছিল। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰ আৰু প্ৰাক্তন প্ৰথম মহিলা ৰছলিন কাঁটাৰে সংযুক্তভাৱে 'Carter Centre' নামৰ এক অনুষ্ঠান গঠন কৰি সংঘাত নিৰসনৰ কেন্দ্ৰ হিচাপে কাম কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। এইবোৰৰ উপৰিও আন ভালেমান সংস্থা, অনুষ্ঠান-প্ৰতিষ্ঠানে সংঘাত নিৰসনৰ কাৰণে আলাপ-আলোচনা, মধ্যস্থতা, জনমত গঠন, শান্তি চুক্তি স্বাক্ষৰ ইত্যাদি বিষয়বোৰত গুৰুত্ব সহকাৰে কাৰ্য সম্পাদন কৰিছিল।

৪। **বিকীৰণ আৰু পৃথকীকৰণ (Diffusion and Differentiation) ঃ** ১৯৯০ চনৰ পৰা সংঘাত নিৰসনৰ নতুন ধাৰা প্ৰতিষ্ঠা হৈছে। ইয়াক বিকীকৰণ আৰু পৃথকীকৰণ বুলি কোৱা হয়। ১৯৮৯ চনৰ পৰা ক্ৰমাগতভাৱে আন্তঃৰাষ্ট্ৰীয় যুদ্ধ হ্ৰাস পাবলৈ ধৰে। সেইদৰে অসামৰিক যুদ্ধ (Civil War) ৰ সংখ্যা হ্ৰাস হ'বলৈ ধৰাত ৰাষ্ট্ৰসংঘয়ো সংঘাত নিৰসনৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰিবলৈ সামৰ্থ হয়। ছাত্ৰ যুদ্ধৰ ধ্বংসাত্মক পৰিস্থিতিৰ পৰাও বিশ্ব সম্প্ৰদায় ৰক্ষা পৰে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা ক্ষেত্ৰত হিংসা, সংঘাতৰ মাত্ৰা হ্ৰাস হোৱা পৰিলক্ষিত হয়। শীতল যুদ্ধ অৱসানৰ পিছত বছৰ বছৰ ধৰি অব্যাহত থকা ভালেমান গুৰুতৰ সংঘাত সমাধান কৰাটো সম্ভৱ হৈ উঠে।



Scanned with OKEN Scanner

২০০১ চনৰ ১১ চেপ্তেম্বৰত আমেৰিকাত আলকাইদা নামৰ সন্ত্ৰাসবাদী সংগঠনে ধ্বংসলীলা চলোৱা ঘটনাৰ পিছৰ পৰা সংঘাতৰ প্ৰকৃতিগত চৰিত্ৰই নতুন মোৰ লোৱা দেখা যায়। এই সময়ত বিশ্বত সন্ত্ৰাসৰ কাৰ্যকলাপ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে ধৰ্মীয়, জাতিগত আৰু গোষ্ঠীগত দ্বন্দ্ব, হিংসা আদি বৃদ্ধি পাবলৈ ধৰে।

ইয়াৰ ফলত সংঘাত নিৰসনৰ ক্ষেত্ৰখন বিভিন্ন ধৰণে সমস্যাৰ সন্মুখীন হ'বলৈ ধৰে। বিশেষকৈ, আল-কাইদাৰ দ্বাৰা সংঘাত নিৰসনৰ শান্তিপূৰ্ণ প্ৰস্তাৱ নাকচ আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বৰ তাৎক্ষণিক আক্ৰমনাত্মক স্থিতিয়ে শান্তি পূৰ্ণ সমাধানত প্ৰাচীৰ সৃষ্টি কৰে। কিন্তু এনে স্থিতিৰ মাজতো জন হৰবিন্সৰ 'International Negotiation' নামৰ ধাৰণা প্ৰকাশ পায়। তদুপৰি বাহ্যিক হস্তক্ষেপ, আলাপ-আলোচনাৰ জৰিয়তে সমস্যা-সমাধানৰ চুক্তি কৰা ইত্যাদি ধাৰণাসমূহ বিকাশ হোৱাৰ ফলতো সংঘাত নিৰসন প্ৰক্ৰিয়া ত্বৰান্বিত হয়। চৰকাৰী কাৰ্যত জনসাধাৰণৰ অধিক পৰিমাণে জড়িত কৰা, জনমতৰ ভিত্তিত প্ৰশাসনৰ গতি, প্ৰকৃতি নিৰ্ধাৰণ কৰা আদি পদ্ধতিৰে সংঘাত নিৰসনৰ কাৰণে চেষ্টা কৰা হৈছে।

১৯৮৯ চনৰ পিছৰ পৰাই সংঘাত নিৰসন প্ৰক্ৰিয়া বিশ্বব্যাপী সম্প্ৰসাৰণ আৰু বিকীৰণ লাভ কৰিছে। কিয়নো বিশ্বৰ কোনো এক প্ৰান্তত উদ্ভৱ হোৱা কোনো ধাৰণা আৰু বাস্তৱ আৰ্হি অন্য প্ৰান্ততো বিকশিত হৈ সুফল লাভ কৰা দিশ যায়। ইয়াৰ উপৰিও বিশ্বৰ বহু দেশত বিশ্ববিদ্যালয়ত সংঘাত নিৰসনৰ কাৰণে স্নাতক পৰ্যায়ত পাঠ্যসূচী তৈয়াৰ কৰা হয়। ২০০৭ চনত এক পৰিসংখ্যা মতে অকল আমেৰিকা যুক্তৰাষ্ট্ৰতে স্নাতক পৰ্যায়ত ৮৮ টা পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছিল। অৱশ্যে এইক্ষেত্ৰত পি.এইচ.ডি পাঠ্যক্ৰমৰ সংখ্যা আছিল অতি নগণ্য। কিন্তু সংঘাত নিৰসনৰ প্ৰচেষ্টা সীমাৰ পৰিধি ভেদি লেটিন আমেৰিকা, আফ্ৰিকা আদি মহাদেশ বা মহাদেশতো বিস্তৃতি লাভ কৰিছিল। ইয়াৰ লগতে আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বে ২০০৪ চনৰ ২৮ আগষ্ট তাৰিখে ১৩৩৫২ নম্বৰৰ কাৰ্যবাহী আদেশ যোগে 'Facilitation of Cooperative Conservation' অৰ্থাৎ 'সহযোগিতামূলক সুৰক্ষিত সুযোগ' শীৰ্ষক কাৰ্যৰ কাৰণে সংঘাত নিৰসনৰ সমৰ্থন আৰু গঠনমূলক সহায়ৰ কাৰণে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছিল।

এছিয়া মহাদেশতো সংঘাত নিৰসনৰ বহু ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। দক্ষিণ কোৰিয়া, জাপান আদি ৰাষ্ট্ৰই এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায়। অৱশ্যে সাম্প্ৰতিক সময়ত সংঘাত নিৰসনৰ বহু ক্ষেত্ৰত মত পাৰ্থক্য থকা দেখা



Scanned with OKEN Scanner

যায়। তদুপৰি কাৰ্য পদ্ধতি আৰু সময় সাপেক্ষে কৰ্ম ক্ষেত্ৰতো মতানৈক্য সৃষ্টি হোৱা দেখা যায়। তৎস্বত্ত্বেও, সাম্প্ৰতিক সময়ত সংঘাত নিৰসনৰ বিভিন্ন উপায় আৰু মাধ্যমৰ সম্প্ৰসাৰণ হৈ আছে। আনকি ইন্টাৰনেটৰ সহায়তো সংঘাত নিৰসনৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে জন গলটুঙে 'TRANSCEND' নামৰ এটি কাৰ্যসূচী প্ৰচলন কৰিছে। যিকোনো আগ্ৰহী ব্যক্তিয়ে 'www.transcend.org'ত লগ ইন কৰিলে এনে ধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে সংঘাত নিৰসনৰ বিভিন্ন দিশ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

সংঘাত নিৰসন হৈছে এক ধাৰাবাহিক বিকাশৰ প্ৰক্ৰিয়া। ই এক গতিশীল বিষয় হোৱা বাবে দিনক দিনে ইয়াৰ পৰিসৰ বৃদ্ধি হৈ আছে। অদূৰ ভৱিষ্যতে এই বিষয়টো সামাজিক ক্ষেত্ৰখনলৈও বিস্তাৰ হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি।

**সংঘাত নিৰসনৰ পদ্ধতি আৰু শান্তি স্থাপন (Methods of Conflict Resolution and Peace Building) ঃ** সংঘাত নিৰসনৰ পদ্ধতি আৰু শান্তি স্থাপনৰ কাৰণে বিভিন্ন সময়ত ভিন ভিন উপায় আৰু পদ্ধতি প্ৰয়োগ কৰা হয়। বহল ভিত্তিত সেইবোৰক সাতটা ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগবোৰ হ'ল—

১। শুভেচ্ছামূলক ভ্ৰমণ আৰু মধ্যস্থতা (Good office and Mediation)

২। মনোনীত ব্যক্তিৰ জৰিয়তে সমাধান (Arbitration)

৩। আলাপ-আলোচনা (Negotiation)

৪। সন্তুষ্টিকৰণ (Conciliation)

৫। কুটনীতিক কাৰ্য (Diplomacy)

৬। ন্যায়িক কাৰ্য ব্যৱস্থা (Judicial Procedure) আৰু

৭। শান্তি স্থাপন (Peace Building)

**। শুভেচ্ছামূলক ভ্ৰমণ আৰু মধ্যস্থতা (Good office and Mediation) ঃ** আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ ক্ষেত্ৰত যিবোৰ পদ্ধতি বা সূত্ৰ প্ৰয়োগ কৰা হয়, সেইবোৰৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ পদ্ধতি হৈছে শুভেচ্ছামূলক ভ্ৰমণ আৰু মধ্যস্থতা। সাধাৰণতে দুই বা ততোধিক ৰাষ্ট্ৰ জড়িত থকা সংঘাত নিৰসনৰ বাবে কোনো গ্ৰহণযোগ্য ব্যক্তি বা ৰাষ্ট্ৰনেতা বা সংগঠন আদিৰ প্ৰতিনিধিয়ে উক্ত দেশসমূহ ভ্ৰম কৰি



Scanned with OKEN Scanner

সৌহাৰ্দমূলক পৰিৱেশ ৰচনা কৰে। সংঘাতত লিপ্ত দেসশমূহৰ ৰাষ্ট্ৰনেতা আৰু কূটনৈতিক কৰ্মকৰ্তা সকলৰ সৈতে বিভিন্ন প্ৰাসংগিক বিষয়ত আলোচনা বিলোচনা কৰি তেওঁলোকক মুখামুখী আলোচনাত বহিবলৈ উৎসাহিত কৰে। তদুপৰি এনে সংঘাত সমাধানৰ কাৰণে তেওঁলোকে নিজে মধ্যস্থতা কৰে নাইবা আন কোনো উপযুক্ত ব্যক্তিক মধ্যস্থতাকাৰী হিচাপে নিযুক্তি কৰি সংঘাত নিৰসনৰ চেষ্টা কৰে। সাধাৰণতে সংঘাতৰ লগত জড়িত নথকা কোনো তৃতীয় পক্ষৰ দ্বাৰা এই ব্যৱস্থা গ্ৰহণ কৰা হয়। শুভেচ্ছামূলক ভ্ৰমণ বা কৰ্মৰ দ্বাৰা আলোচনা সূত্ৰপাত কৰিবলৈ পৰিৱেশ ৰচনা কৰা হয় যদিও ইয়াৰ দ্বাৰা প্ৰত্যক্ষভাৱে আলোচনাত অংশগ্ৰহণ কৰা নহয়। অৱশ্যে মধ্যস্থতাকাৰী হৈছে শুভেচ্ছামূলক ভ্ৰমণ প্ৰক্ৰিয়াতকৈ উন্নতমানৰ তথা বলিষ্ঠ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত জড়িত ব্যক্তি বা সংস্থা সংঘাতত লিপ্ত পক্ষৰ মাজত যোগাযোগ স্থাপন কৰা, তেওঁলোকৰ মাজত বিবাদমান বিষয়সমূহৰ সম্ভাব্য সমাধান সূত্ৰৰ প্ৰস্তাৱ উত্থাপন কৰা, সেইবোৰ স্পষ্ট কৰি দিয়া, কোনো বুজাবুজি বা চুক্তি আদিৰ খচৰ। প্ৰস্তুতকৰণথ সহায় কৰা, বিকল্প সমাধান সূত্ৰ উদ্ভাৱনত সহায় কৰা আৰু ভৱিষ্যতে যাতে প্ৰত্যক্ষ সংঘৰ্ষ সৃষ্টি নহয়, তাৰে বাবে স্থিতিস্থাপক প্ৰস্তাৱ প্ৰদান কৰা। ১৯৬০ চনত ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু নদীৰ পানী বিতৰণক কেন্দ্ৰ কৰি ভাৰত আৰু পাকিস্তানৰ মাজত যি উত্তেজনাৰ সৃষ্টি হৈছিল, সেই উত্তেজনা প্ৰশমনৰ ক্ষেত্ৰত বিশ্ববেংকে শুভেচ্ছামূলক বাৰ্তালৈ মধ্যস্থতা কৰি বিষয়টোৰ শান্তিপূৰ্ণ সমাধান কৰাত সহায় কৰিছিল। ঠিক তেনেকৈ ১৯৯৪ চনত ইজৰাইল আৰু জৰ্দানৰ মাজত সীমা বিবাদ আৰু ইয়াৰ মুক তথা জৰ্ডান নদীৰ পানী বিতৰণকলৈ যি সংঘাত আৰম্ভ হৈছিল, সেই সংঘাত আমেৰিকা আৰু ৰাছিয়াৰ কুটনীতিবিদৰ সহযোগত শান্তিপূৰ্ণভাৱে সমাধান কৰা সম্ভৱ হৈছিল।

উল্লেখযোগ্য যে ১৮৯৯ চনৰ পূৰ্বে সংঘাতত লিপ্ত দেশৰ মাজৰ উত্তেজনা নিৰসনৰ কাৰণে কোনোবাই মধ্যস্থতা কৰিব বিচাৰিলে, তেনে কাৰ্যক অবৈধ বা অকৰ্তৃত্বহীন হস্তক্ষেপ হিচাপে গণ্য কৰা হৈছিল। কিন্তু ১৮৯৯ আৰু ১৯০৭ চনত নেদাৰলেণ্ডৰ ডি হেগ চহৰত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় সন্মিলনে মধ্যস্থতাৰ জৰিয়তে সংঘাত নিৰসন প্ৰক্ৰিয়াৰ মান্যতা প্ৰদান কৰে। এই সন্মিলন দুখনত যথাক্ৰমে ২৬ আৰু ৪৪ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছিল।

**২। মনোনীত ব্যক্তিৰ জৰিয়তে সমাধান (Arbitration)ঃ** আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে কোনো সংঘাতত লিপ্ত দুই বা ততোধিক ৰাষ্ট্ৰই বিবাদ নিষ্পত্তিৰ কাৰণে কোনো উপযুক্ত ব্যক্তিক উমৈহতীয়াভাৱে নিযুক্ত কৰে।

Scanned with OKEN Scanner

এনেদৰে নিযুক্তি পোৱা ব্যক্তিক 'বিবাদ মীমাংসাকাৰী' অৰ্থাৎ Arbitration বুলি জনা যায় আৰু ব্যক্তিয়ে জটিল আইনী প্ৰক্ৰিয়াৰ পৰিবৰ্তে সৰলীকৃত (Simplified) পদ্ধতিৰে আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ প্ৰয়াস কৰে। ইয়াক Arbitration বুলি কোৱা হয়। Arbitration পদ্ধতিৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল—

ক) এই ব্যৱস্থা গ্ৰহণ কৰি সংঘাত নিৰসনৰ বাবে আগ্ৰহ প্ৰকাশ কৰা ৰাষ্ট্ৰসমূহে চুক্তি বা বুজা পৰাৰ জৰিয়তে বিবাদ নিষ্পত্তিৰ কাৰণে দায়বদ্ধ থাকিব লাগে। কোনো ক্ষেত্ৰতে তেনে ৰাষ্ট্ৰই প্ৰৰোচনামূলক কাৰ্য সংঘটিত কৰিব নালাগে।

খ) সংঘাতত জড়িত ৰাষ্ট্ৰসমূহে নিজা উদ্যোগ আৰু সহমতৰ ভিত্তিত বিবাদ নিষ্পত্তিৰ কাৰণে ব্যক্তি অৰ্থাৎ Arbitration মনোনীত কৰে। এই ব্যক্তি বা ব্যক্তিসকল নিৰপেক্ষ হোৱাৰ উপৰিও সৰ্বজন গ্ৰহণযোগ্য হ'ব লাগে।

গ) Arbitration হৈছে ন্যায়িক প্ৰাধিকৰণৰ এক সৰল সংস্কৰণ। ইয়াক Simplified Judicial Tribunal (SJT) হিচাপে আখ্যা দিব পাৰি। আন্তঃৰাষ্ট্ৰীয় চুক্তি বা সন্ধি আদিৰ দ্বাৰা এইবোৰক স্বীকৃতি প্ৰদান কৰা হয়।

ঘ) Arbitration ৰ নিয়ম-নীতি আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া সহজ প্ৰকৃতিৰ। ইয়াক নিৰপেক্ষ সমাধান সূত্ৰৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। সেয়েহে এই ব্যৱস্থাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে।

ঙ) শেষত, Arbitrationৰ লগত জড়িত ব্যক্তি বা ব্যক্তি সমষ্টিয়ে যি সমাধান সূত্ৰ দিয়ে, সেইবোৰ বিবাদত লিপ্ত ৰাষ্ট্ৰসমূহে মানি লোৱা দেখা যায়। কিন্তু কোনো ৰাষ্ট্ৰ যদি ৰ Arbitration ফলত ক্ষতিগ্ৰস্ত হয়, তেন্তে তেনে ৰাষ্ট্ৰই Arbitration ৰ সিদ্ধান্ত বাতিলৰ বাবে আবেদন জনাব পাৰে। এনে আবেদন বিবেচনাৰ বাবে গ্ৰহণ কৰিলে পুনৰাই আলাপ-আলোচনা অনুষ্ঠিত কৰি সুস্থ সিদ্ধান্ত গ্ৰহণৰ ব্যৱস্থা আছে।

এইদৰে দেখা যায় যে Arbitration হৈছে আন্তঃৰাষ্ট্ৰীয় বিবাদ মীমাংসাৰ এক উল্লেখযোগ্য আৰু জনপ্ৰিয় মাধ্যম। সাধাৰণতে, সীমা বিবাদ, পানী বিতৰণ সম্পৰ্কীয় বিবাদ, বন্দী হস্তান্তৰ বা প্ৰত্যাৰ্পন আদি ক্ষেত্ৰত Arbitration ৰ সুবিধা গ্ৰহণ কৰা হয়।



Scanned with OKEN Scanner

৩। **আলাপ-আলোচনা (Negotiation) ঃ** আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ আন এক গুৰুত্বপূৰ্ণ মাধ্যম হৈছে আলাপ আলোচনা। সাধাৰণতে সংঘাতত লিপ্ত দুই বা ততোধিক ৰাষ্ট্ৰৰ মাজত যাতে শান্তি ব্যাহত নহয় আৰু সমস্যাবোৰ যাতে সুস্থ আৰু শান্তিপূৰ্ণভাৱে সমাধান কৰিব পৰা যায়, তাৰ বাবে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ আলাপ-আলোচনাক অতিকৈ গুৰুত্ব প্ৰদান কৰা হৈছে। সেই কাৰণে কোৱা হয় যে, 'Negotiation is a common platfrom to resolve International Conflict.' আলাপ-আলোচনাৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হৈছে —

ক) বিবাদত লিপ্ত দেশসমূহৰ মাজত স্বাৰ্থৰ সংঘাত বা উমৈহতীয়া সমস্যা উদ্ভৱ হ'লে, আলাপ-আলোচনাৰ জৰিয়তে তেনে বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

খ) বিবাদত লিপ্ত ৰাষ্ট্ৰসমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্য থাকিলে আলাপ-আলোচনাৰ পৰিৱেশ ৰচনা হয়।

গ) যেতিয়া সংঘাতত লিপ্ত ৰাষ্ট্ৰবোৰে বুজাবুজি চুক্তিত উপনীত হ'বলৈ সন্মত হয়, তেতিয়া আলাপ-আলোচনা অনুষ্ঠিত হয়। তদুপৰি ই যথেষ্ট ফলপ্ৰসূ হোৱা দেখা যায়।

ঘ) আলাপ-আলোচনা হৈছে পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ এক মিশ্ৰিত ৰূপ।

ঙ) আলাপ-আলোচনাৰ প্ৰতি আগ্ৰহ ব্যক্ত কৰা দেশ সমূহে উমৈহতীয়া সমস্যা বা বিষয়সমূহ চিনাক্ত কৰি সেইবোৰৰ সম্ভাব্য সমাধান সূত্ৰ উলিয়াবলৈ যত্ন কৰিব লাগে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে উমৈহতীয়া বিবাদ নিষ্পত্তি কৰা আৰু নিজ নিজ দেশৰ স্বাৰ্থ ৰক্ষা কৰাৰ ক্ষেত্ৰত আলাপ-আলোচনা হৈছে এক বলিষ্ঠ মাধ্যম। ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ বিভিন্ন অংগ আৰু বিশেষ অংগৰ উপৰিও বিশ্বৰ অন্যান্য বহু সামাজিক সংস্থা, স্বেচ্ছাসেৱী সংগঠন, কৰ্তৃত্বশীল ব্যক্তি আদিয়ে আলাপ-আলোচনাৰ সূত্ৰধৰ হিচাপে কাম কৰা দেখা যায়।

৪। **সন্তুষ্টিকৰণ (Conciliation) ঃ** মধ্যস্থতাৰ অন্য এক ৰূপ হৈছে সন্তুষ্টিকৰণ। সংঘাতত লিপ্ত ৰাষ্ট্ৰসমূহে তৃতীয় পক্ষৰ সহায়ত বিবাদ নিষ্পত্তিৰ ব্যৱস্থা কৰা প্ৰক্ৰিয়াৰ লগত সন্তুষ্টিকৰণ প্ৰক্ৰিয়া যুক্ত হৈ আছে। আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ



Scanned with OKEN Scanner

কাৰণে সন্তুষ্টিকৰণ হৈছে আটাইতকৈ শান্তিপূৰ্ণ মাধ্যম। সাধাৰণতে সংঘাতত লিপ্ত ৰাষ্ট্ৰসমূহে নিজৰ মাজৰ বিবাদ নিষ্পত্তিৰ কাৰণে কোনো আন্তঃৰাষ্ট্ৰীয় আয়োগ গঠন কৰে। ১৯২০ চনত পোনপ্ৰথমবাৰৰ কাৰণে ছুইডেন আৰু চিলি'ৰ মাজত সন্তুষ্টিকৰণ (Conciliation)ৰ চুক্তি স্বাক্ষৰ হৈছিল।

সন্তুষ্টিকৰণৰ অৰ্থ হৈছে বিবাদত লিপ্ত নোহোৱাকৈ সংঘাত সমাধান কৰা। ইয়াৰ দ্বাৰা কোনো ব্যক্তি বা ব্যক্তিগোষ্ঠীক মধ্যস্থতাকাৰী হিচাপে বিবাদত লিপ্ত ৰাষ্ট্ৰবোৰে নিযুক্তি কৰে। এনে মধ্যস্থতাকাৰীয়ে সকলো পক্ষৰ গ্ৰহণযোগ্য হোৱাকৈ বিবাদ নিষ্পত্তিৰ সূত্ৰ নিৰ্ধাৰণ কৰে। বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰতবৰ্ষতো সন্তুষ্টিকৰণ প্ৰক্ৰিয়াৰে ভালেমান বিবাদ নিষ্পত্তি কৰা হয়। সাধাৰণতে, পৃথকতাবাদী আন্দোলনৰ লগত জড়িত ব্যক্তি বা সংস্থাৰ লগত এই প্ৰক্ৰিয়াৰ মাধ্যমেৰে বিবাদ নিষ্পত্তি কৰা দেখা যায়।

৫। **কুটনীতি (Diplomacy) ঃ** আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ ক্ষেত্ৰত কুটনীতিয়ে সৰ্বাধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেই কাৰণে কোৱা হয় যে, 'Diplomacy is the art and science of maintaining peaceful relationships between nations, groups or individuals.'' কুটনীতি হৈছে এনে এক শক্তিশালী মাধ্যম যাৰ সহায়ত সংঘাত নিৰসনৰ শান্তিপূৰ্ণ পথৰ সন্ধান কৰোতে জটিলতাকো আঁতৰাব পাৰি। যুদ্ধ চলি থকাৰ মাজতো কুটনীতিয়ে শান্তি আলোচনাৰ বিকল্প সন্ধান দিব পাৰে। কুটনৈতিক কৰ্মকৰ্তা সকলে সদায়ে এটা বিষয়ত মনযোগ দিয়ে যে বিবাদৰ লগত যুক্ত ৰাষ্ট্ৰসমূহৰ মনোভাৱ কেনেকুৱা বা বিবাদমান বিষয়টোৰ বিকল্প পথেৰে সমাধানৰ উপায় আছে নে নাই। এইবোৰ বিষয় পৰ্যবেক্ষন কৰি কুটনৈতিক কাৰ্য আগবঢ়াই লৈ যোৱা হয়। ১৯৬৮ চনত ফ্ৰেড ইকলে প্ৰকাশ কৰা ''How Nations Negotiate'' নামৰ গ্ৰন্থত কুটনৈতিক বিষয়ৰ ওপৰত বেছিকৈ আলোকপাত কৰা হৈছে। উক্ত গ্ৰন্থত তেওঁ কুটনীতি সম্পৰ্কীয় বিভিন্ন দিশ আলোচনা কৰাৰ উপৰিও ইয়াৰ বৈশিষ্ট্য, প্ৰকাৰ, কুটনৈতিক বিষয়াসকলৰ যোগত্যা, কূটনীতিৰ দ্বাৰা সমাধানকৃত বিষয়ৰ বিকল্প সূত্ৰ ইত্যাদি সম্পৰ্কে আলোচনা কৰিছে।

১৮১৭ চনত সময়ছোৱাত ২০০ তকৈ কম কূটনৈতিক কাৰ্য সম্পাদন কৰাৰ বিপৰীতে ২০০৬ চনত এনে কাৰ্যৰ সংখ্যা ৮০০০ লৈ বৃদ্ধি পোৱাটোৱে প্ৰমান কৰে যে কূটনীতিক বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখযোগ্য যে ১৯৪৯ চনত আমেৰিকাৰ নেতৃত্বত স্বাক্ষৰ হোৱা উত্তৰ আটলান্টিক চুক্তি সংস্থা (NATO) আৰু ১৯৫৫ চনত ছোভিয়েট ৰাছিয়াৰ উদ্যোগত স্বাক্ষৰ



Scanned with OKEN Scanner

হোৱা ওৱার্শ (Warshow) চুক্তিয়ে কূটনৈতিক ক্ষেত্রত ভাৰসাম্যতা সৃষ্টি কৰিছিল। ইয়াৰ ফলস্বৰূপে, বিশ্ব ৰাজনীতিত উত্তেজনা থাকিলেও যুদ্ধ আদি সংঘটিত হোৱা নাছিল।

কূটনীতি সাধাৰণতে দুই প্ৰকাৰ। যেনে- গোপন কূটনীতি (Secret Diplomacy) আৰু মুক্ত কূটনীতি (Open Diplomacy)। গোপন কূটনীতিয়ে সন্দেহ, অবিশ্বাস আদি বৃদ্ধি কৰাৰ লগতে সংঘাত সৃষ্টিত ইন্ধন যোগায়। আনহাতে, মুক্ত কূটনীতিয়ে ৰাষ্ট্ৰসমূহৰ মাজত সৌহার্দমূলক বিকাশৰ পথ উন্মুক্ত কৰে। সেয়েহে মুক্ত কূটনীতিয়ে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে। অৱশ্যে তাৰ মাজতো গোপন কূটনীতিৰ দ্বাৰা বিশ্বৰ বহু সমস্যা সমাধানৰ প্ৰাথমি চৰ্ত পালনৰ উদাহৰণো আছে।

৬। **ন্যায়িক কার্য-ব্যৱস্থা (Judicial Procedure)ঃ** আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ কাৰণে ন্যায়িক কার্য-ব্যৱস্থাৰ জৰিয়তে শান্তিপূর্ণভাৱে বিবাদ নিষ্পত্তিৰ ব্যৱস্থা আছে। ৰাষ্ট্ৰসংঘৰ এটা গুৰুত্বপূর্ণ অংগ হিচাপে ১৯৪৫ চনত আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় (International Court of Justice চমুকৈ ICJ) গঠন কৰা হৈছে। বিভিন্ন দেশৰ দ্বি-পাক্ষিক, ত্ৰি-পাক্ষিক বা বহু-পাক্ষিক বিচাৰসমূহ এই ন্যায়ালয়ত উত্থাপন কৰা হয়। ন্যায়ালয়ে আন্তঃৰাষ্ট্ৰীয় বিধি অনুসৰি শান্তিপূর্ণভাৱে বিবাদ নিষ্পত্তিৰ ব্যৱস্থা কৰে। বৰ্তমান বিশ্বৰ ১৯৩ খন ৰাষ্ট্ৰ এই ন্যায়ালয়ৰ সদস্য। এই ন্যায়ালয়ৰ কার্য পৰিধি বিশ্বব্যাপী। ভাৰত আৰু পাকিস্তানৰ মাজত দীৰ্ঘদিনৰ পৰা 'কুলভূষণ যাদৱ' নামৰ ব্যক্তি গৰাকীক কেন্দ্ৰ কৰি সংঘাত অব্যাহত আছে। দৰাচলতে কুলভূষণ যাদৱ ভাৰতৰ এগৰাকী সৈন্যবাহিনীত কৰ্মৰত লোক। তেওঁ ভুলক্ৰমে পাকিস্তানৰ ভূমিত সোমাই যোৱাত ধৰা পৰি কাৰাগাৰত দুৰ্বিষহ জীৱন পাৰ কৰিব লগা হৈছে। তেওঁৰ মুক্তিৰ বাবে ভাৰত চৰকাৰে বহু আলোচনা কৰাৰ পিছতো ফল নধৰাত বিষয়টো আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ত উত্থাপন কৰা হয়। এই ন্যায়ালয়ৰ ৰায়ৰ পৰিপ্ৰেক্ষিতত কুলভূষণ যাদৱ মৃত্যুদণ্ডৰ পৰা সকাহ পাইছে। এনে ধৰণৰ বিবাদ এই ন্যায়ালয়ে শান্তিপূর্ণভাৱে সমাধান কৰাৰ বহু দৃষ্টান্ত আছে। সম্প্ৰতি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত ২০২২ চনৰ ২৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা যুদ্ধত ৰাছিয়াৰ দ্বাৰা ব্যাপক হাৰত মানৱাধিকাৰ ভংগ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি ইউক্ৰেইন আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

আন্তঃৰাষ্ট্ৰীয় সংঘাত নিৰসনৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ে দুটা পদ্ধতি গ্ৰহণ কৰিব পাৰে। তাৰে প্ৰথমটো হৈছে, "সংঘাতত লিপ্ত ৰাষ্ট্ৰসমূহৰ বিবাদ নিষ্পত্তিৰ কাৰণে

Scanned with OKEN Scanner

কোনো মধ্যস্থতাকাৰী নিয়োগ কৰা বা কোনো আয়োগ গঠন কৰা আৰু দ্বিতীয়টো মাধ্যম হৈছে ন্যায়িক প্ৰক্ৰিয়াৰে প্ৰমান ভিত্তিক তথ্য-পাতিৰ আধাৰত সংঘাত নিৰসনৰ পথৰ সন্ধান কৰা।

এইখিনিতে মন কৰিবলগীয়া কথা এই যে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ কাৰ্যকাৰিতা ৰাষ্ট্ৰসমূহৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। এই ন্যায়ালয়ৰ ৰায়সমূহ বাধ্যতামূলকভাৱে কাৰ্যকৰী কৰাৰ ব্যৱস্থা নাই।

৭। **শান্তি স্থাপন (Peace Building) ঃ** শান্তি স্থাপন ব্যৱস্থাটো সংঘাতৰ পৰা আঁতৰি থকাৰ এক কাৰ্যকৰী সকাৰাত্মক ব্যৱস্থা। সাধাৰণতে ব্যক্তি বা ৰাষ্ট্ৰনেতাৰ গঠনমূলক মনোভাৱ, সমূহীয়া স্বাৰ্থৰ প্ৰতি গুৰুত্ব আৰোপ কৰা আৰু ৰাষ্ট্ৰসমূহৰ মাজত সৌহাৰ্দমূলক বাতাবৰণ সৃষ্টিৰ জৰিয়তে শান্তি স্থাপন কৰিব পাৰি। ইয়াৰ উদ্দেশ্য হৈছে অহিংস পদ্ধতিৰে অন্যায়-অবিচাৰ সমাপ্ত কৰা আৰু গঠনমূলক তথা নিৰাপদ ভৱিষ্যতৰ পিনে আগবাঢ়ি যোৱা। সেইকাৰণে কোৱা হয় যে, ''Peace Building can include Conflict Prevention; Conflict management, conflict resolution and Post Conflict reconciliation.''

দীৰ্ঘ সময় জুৰি শান্তি স্থাপন প্ৰক্ৰিয়া অব্যাহত থাকিলে ইয়াক কৌশলগত (strategic) প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়। কৌশলগত প্ৰক্ৰিয়াৰ অংশ হিচাপে শান্তি স্থাপনৰ বাবে জনসাধাৰণ, গোষ্ঠী আদিৰ সৈতে তৃণমূল পৰ্যায়ত যোগসূত্ৰ আৰু সম্পৰ্ক স্থাপন কৰা হয়। তদুপৰি নীতি নিৰ্ধাৰক আৰু ক্ষমতাৰ কেন্দ্ৰসমূহ যেনে — চৰকাৰ, ৰাষ্ট্ৰসংঘ আদিৰ সৈতেও আলোচনা অনুষ্ঠিত কৰি গঠনমূলক সমাজ, অনুষ্ঠান, নীতি আদি নিৰ্ধাৰণ কৰা হয়।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে সংঘাত নিৰসনৰ বাবে কোনো এক বিশেষ বা একক মাধ্যম নাই। ইয়াৰ বাবে পৰিৱেশ পৰিস্থিতি অনুসৰি ভিন ভিন পদ্ধতি প্ৰয়োগ কৰা হয়। কিন্তু সেই আটাইবোৰ পদ্ধতিৰক মূল উদ্দেশ্য হৈছে শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰা। আকৌ কূটনৈতিক ব্যক্তি, বিষয়া আদিক বহিস্কাৰ কৰা কূটনৈতিক



Scanned with OKEN Scanner

## গোট ঃ ২ (Unit-II)

# সংঘাতৰ মাত্ৰা (Dimensions of Conflict)

সংঘাত মানে হৈছে দুই বা ততোধিক ৰাষ্ট্ৰ বা গোষ্ঠী বা ব্যক্তিৰ মাজত সৃষ্টি হোৱা মতানৈক্য, স্বাৰ্থৰ দ্বন্দ আৰু হিংসা সৃষ্টি কৰা এটা বিষয়। সংঘাতৰ চৰিত্ৰ আৰু প্ৰকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে ই সদায় নেতিবাচক নহয়। সংঘাতৰ মাজতো ইতিবাচক বাৰ্তা নিহিত থাকিব পাৰে। উদাহৰণস্বৰূপে ক'ব পাৰি যে ব্যৱসায়িক গোষ্ঠীৰ মাজত বেহা-বেপাৰ কেন্দ্ৰিক প্ৰতিযোগিতাই প্ৰতিদ্বন্দীগোষ্ঠীক অধিক শ্ৰম আৰু পৰিকল্পনাৰে কাৰ্য সম্পাদন কৰিবলৈ মানসিক ভাৱে প্ৰস্তুত কৰি তোলে। ফলত উৎপাদন বৃদ্ধি পোৱাৰ লগতে ব্যৱসায়ৰ পৰিসৰ বিস্তৃত হয়। ঠিক তেনেকৈ ছাত্ৰ-ছাত্ৰীৰ মাজতো লিখা-পঢ়াকেন্দ্ৰিক প্ৰতিযোগিতাই মেধাৰ সম্পূৰ্ণ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উৎসাহিত কৰে। ইয়াৰ দ্বাৰা ছাত্ৰ সমাজৰ যথেষ্ট লাভ হয়।

কিন্তু ৰাজনীতিৰ ক্ষেত্ৰত সংঘাত সৃষ্টিয়ে নেতিবাচক প্ৰভাৱ পেলায়। বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সংঘাতৰ মাত্ৰা বা দিশসমূহ আলোচনা কৰিলে দেখা যায় যে সংঘাতে ধ্বংসাত্মক ফলাফল কঢ়িয়াই আনে।

সশস্ত্ৰ সংঘাতে ব্যক্তি, পৰিয়াল, গোষ্ঠী আৰু সামগ্ৰিকভাৱে কোনো দেশৰ ওপৰত ব্যাপক হাৰত মানৱীয় সংকট আৰু আৰ্থিক ক্ষেত্ৰত ক্ষতিসাধন কৰে। এটি পৰিসংখ্যা মতে সমগ্ৰ বিশ্বত সশস্ত্ৰ সংঘাত আৰু সৰু-ডাঙৰ অপৰাধৰ কাৰণে প্ৰত্যেক বছৰে ৭,৪০,০০০ ৰো অধিক লোক নিহত হয়। ইয়াৰে ৪,৯০,০০০ তকৈও অধিক লোক যুদ্ধক্ষেত্ৰৰ বাহিৰত মৃত্যুক সাৱটি ল'বলগা হয়। ইয়াৰ পৰা বুজিব পাৰি যে সশস্ত্ৰ সংঘাতৰ বিভিন্ন ভাগৰ মাজত যুদ্ধ হৈছে এটি মাত্ৰ ৰূপ। যুদ্ধৰ বাহিৰতো বিশ্বব্যাপী সংঘটিত সশস্ত্ৰ সংঘাতে মানৱজাতিৰ সন্মুখত মাৰাত্মক প্ৰত্যাহ্বানৰ সৃষ্টি কৰা দেখা যায়।

মৃত্যুৰ বাহিৰেও সশস্ত্ৰ সংঘাতৰ ফলত হাজাৰ হাজাৰ লোকে আজীৱন পঙ্গু হৈ জীৱন-যাপন কৰিব লগা হয়। বহুতেই মানসিক বিকাৰগ্ৰস্ততাৰ চিকাৰ হয়। তদুপৰি সশস্ত্ৰ সংঘাতে সামাজিক গাঁথনিকো দূৰ্বল কৰে। ই ভয়-ভীতি আৰু নিৰাপত্তাহীন



Scanned with OKEN Scanner

অৱস্থা সৃষ্টি কৰে। সংঘাতৰ ফলত আন্তঃৰাষ্ট্ৰীয়ভাৱে কোনো দেশৰ ভাবমূৰ্তি ক্ষুণ্ণ হয়। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে দেশৰ বিনিয়োগ ব্যৱস্থা আৰু বৈদেশিক সাহায্যৰ ওপৰত। সংঘাতৰ এনে নেতিবাচক প্ৰভাৱৰ কাৰণে অৰ্থ ব্যৱস্থা ভাঙি পৰে আৰু কোনো কোনো দেশত ৰাজনৈতিক অস্থিৰতা সৃষ্টি হয়।

সংঘাতৰ মাত্ৰা বিভিন্ন ধৰণৰ হ'ব পাৰে। সেইদৰে সংঘাত নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থাপনাৰ লগতে ইয়াৰ বিভিন্ন স্তৰ আৰু দিশো আছে।

সংঘাতৰ প্ৰকৃত সংজ্ঞা নিৰ্ধাৰণ কৰা কঠিন; কিয়নো ই বিভিন্ন প্ৰকৃতিৰ হয়। সংঘাত হৈছে মূলতঃ অসন্মতি, বিৰোধ বা অসামঞ্জস্যতা। সেয়েহে, সংঘাত মানে হৈছে এটা পৰিস্থিতি য'ত অসঙ্গত লক্ষ্য, জ্ঞান বা আৱেগ থাকে। ইয়াৰ অন্তৰালত থাকে বিৰোধিতা বা বিৰোধী বাৰ্তালাপ লৈ যোৱা ব্যক্তি বা গোটৰ কাৰ্যকলাপৰ সমষ্টি। এনে কাৰ্যকলাপে সংঘাত সৃষ্টিত ইন্ধন যোগায়।

**সংঘাতৰ মৌলিক প্ৰকাৰ ঃ**

লক্ষ্য সংঘাত হৈছে এনে পৰিস্থিতি য'ত বিচৰা অন্তিম অৱস্থা বা পছন্দৰ ফলাফলৰ মাজত বিসংগতি দেখা যায়। আকৌ বৌদ্ধিক সংঘাত হৈছে এনে এক পৰিস্থিতি য'ত ধাৰণা বা চিন্তাবোৰ অসামঞ্জস্যপূৰ্ণ হয়। প্ৰভাৱাত্মক সংঘাতত অনুভূতি বা আৱেগৰ বিসংগতি থাকে; অৰ্থাৎ মানুহ আক্ষৰিক ভাৱে ইজনে সিজনৰ ওপৰত খং কৰে। আকৌ সাংগঠনিক পৰিস্থিতিত সংঘাত অতি সচৰাচৰ হয়। সংঘাতৰ সমাধানে প্ৰায়ে গঠনমূলক পৰ্যায়ত সমস্যা সমাধানৰ পথ মুকলি কৰে।

**সংঘাতৰ স্তৰ (Stages of Conflict) ঃ**

সংঘাতৰ পাঁচটা স্তৰ হৈছে আন্তঃব্যক্তি (এজন ব্যক্তিৰ ভিতৰত) আন্তঃব্যক্তি সমষ্টি (ব্যক্তিৰ মাজত সংঘাত)ৰ, আন্তঃ গোট (এটা গোটৰ ভিতৰত), আন্তঃগোটসমূহ (বিভিন্ন গোটৰ মাজত) আৰু আন্তঃসাংগঠনিক (সংগঠনৰ ভিতৰত)। আন্তঃব্যক্তিগত সংঘাত ব্যক্তি এজনৰ ভিতৰত হোৱা দেখা যায়। এনে সংঘাতত প্ৰায়ে কোনো প্ৰকাৰ লক্ষ্য অন্তৰ্ভুক্ত থাকে। আন্তঃব্যক্তি সংঘাতৰ লগত জড়িত দুটা বিষয় হৈছে ক্ৰমে দৃষ্টিভংগী আৰু পৰিহাৰ সংঘাত।

দৃষ্টিভংগী ঃ দৃষ্টিভংগীৰ সংঘাত হৈছে এনে এক পৰিস্থিতি য'ত এজন ব্যক্তি দুই বা ততোধিক বিকল্পৰ মাজত কোনো এক নিৰ্দ্দিষ্ট বিকল্প বাছনি কৰিব। উদাহৰণস্বৰূপে

Scanned with OKEN Scanner

এজন ব্যক্তিয়ে দুটা চাকৰিৰ মাজত এটা বাছনি কৰিব পাৰে অথচ দুয়োটা বিকল্প সমানে আকৰ্ষণীয় যেন লাগিছে।

পৰিহাৰ ঃ পৰিহাৰ সংঘাত হৈছে এনে এক পৰিস্থিতি য'ত এজন ব্যক্তিয়ে দুটা বা তাৰ মাজৰ পৰা নেতিবাচক ফলাফল থকা এটা বিকল্প বাছনি কৰিব লাগিব। ইয়াত এজন ব্যক্তিয়ে সিদ্ধান্ত ল'ব লাগিব যে তেওঁ বিকল্প বাছনি কৰিব নে নাই। উদাহৰণস্বৰূপে - ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ ফলাফল থকা সিদ্ধান্ত গ্ৰহনৰ ক্ষেত্ৰত পৰিস্ফুট হয়।

আন্তঃব্যক্তিগত সংঘাত এজন ব্যক্তিৰ সলনি দুই বা ততোধিক ব্যক্তি অন্তৰ্ভূক্ত থাকে। উদাহৰণস্বৰূপে দুজন মেনেজাৰে একেটা পদত পদোন্নতিৰ বাবে প্ৰতিদ্বন্দিতা কৰা বা দুজন কাৰ্যবাহীয়ে অধিক অংশৰ বাবে কৌশল ৰচনা কৰা আৰু প্ৰতিযোগিতাত লিপ্ত হোৱাই হৈছে এই ধৰণৰ সংঘাত।

**আন্তঃব্যক্তিগত সংঘাতৰ কাৰণসমূহ ঃ**

১) ব্যক্তিত্বৰ পাৰ্থক্য ঃ কিছুমান লোকৰ ইজনে সিজনৰ সৈতে মিলা-মিছা কৰাত অসুবিধা হয়। ই এক সম্পূৰ্ণৰূপে মানসিক সমস্যা । এনে সমস্যাৰ বাবে আন্তঃব্যক্তিগত সংঘাত সৃষ্টি হয়।

২) ধাৰণা ঃ বিভিন্ন পৃষ্ঠভূমি, অভিজ্ঞতা, শিক্ষা আৰু প্ৰশিক্ষণৰ ফলত ব্যক্তিৰ মাজত এক ধৰণৰ ভিন্ন ধাৰণা বিকশিত হয়। এনে ধৰণৰ ভিন্নমুখী ধাৰণাই আন্তঃব্যক্তিগত সংঘাত সৃষ্টিত ইন্ধন যোগায়।

৩) মূল্যবোধ আৰু স্বাৰ্থৰ সংঘাত ঃ সমাজত বসবাস কৰা মানুহৰ মাজত পৃথক পৃথক মূল্যবোধ আৰু স্বাৰ্থৰ ধাৰণাই গা কৰি উঠে। সাধাৰণতে এজন ব্যক্তিৰ সৈতে অন্য ব্যক্তিৰ বা কোনো ব্যক্তি সমষ্টিৰ সৈতে অন্য ব্যক্তি সমষ্টিৰ স্বাৰ্থ আৰু মূল্যবোধৰ ভিন্নতাই সংঘাতৰ সৃষ্টি কৰা দেখা যায়।

৪) শক্তি আৰু স্থিতিৰ পাৰ্থক্য ঃ আব্ৰাহাম জেনেস্কিৰ দ্বাৰা উল্লেখ কৰা অনুসৰি "সংগঠনবোৰ হৈছে ৰাজনৈতিক গাঁথনি।" ৰাজনৈতিক নেতাসকলে কৰ্তৃত্ব বিতৰণ কৰে আৰু ইয়াৰ অনুশীলনৰ বাবে এটা মঞ্চ নিৰ্মাণ কৰি শক্তি প্ৰদৰ্শনৰ কাম কৰে। এনে শক্তি প্ৰদৰ্শনৰ ফলত বিবাদ হয়।

৫) দুৰ্লভ সম্পদ ঃ যিকোনো সময়তে অভাৱ হ'লে আন্তঃব্যক্তিগত সংঘাত প্ৰায় স্বয়ংক্ৰিয় ভাৱে সৃষ্টি হয়। দুৰ্লভ সম্পদৰ ওপৰত সংঘৰ্ষ সৃষ্টি হোৱাটো



Scanned with OKEN Scanner

সংগঠনবোৰত সচৰাচৰ দেখা যায়। উদাহৰণস্বৰূপে যদি তিনিজন যোগ্য ব্যক্তি থাকে আৰু সংগঠনত উৎকৃষ্ট পদৰ বাবে কেৱল এটা পদ আছে, তেন্তে তাত আন্তঃব্যক্তিগত সংঘাত এক নিয়ন্ত্ৰণহীণ স্তৰলৈ বিকশিত হ'ব পাৰে।

### আন্তঃগোট সংঘাত ঃ

কেবাটাও গোটৰ মাজত সৃষ্টি হোৱা সংঘাতক আন্তঃগোট সংঘাত বুলি কোৱা হয়। আন্তঃগোট সংঘাতৰ সন্মুখীন হোৱা এটা গোটে অৱশেষত ইয়াক সমাধান কৰিব পাৰে যাৰ বাবে গোটটোক অনুমতি দিয়া হ'ব পাৰে। ইয়াৰ বাবে এক সহমতত উপনীত হৈ গোটটোৱে বিবাদটো সমাধান কৰিব পাৰে বা গোট আলোচনা তাতে সমাপ্ত কৰিব পাৰে। কোনো সংগঠনৰ সদস্যসকলৰ মাজত মতবিৰোধ সৃষ্টি হোৱা ব্যৱসায়ত নিয়োজিত বৃহৎ সংখ্যক গোটৰ অধ্যয়ন আৰু চৰকাৰী সিদ্ধান্ত লোৱা গোট আদিৰ কাৰ্য আদি অধ্যয়ন কৰিলে এনে ধৰণৰ সংঘাতৰ বিষয়ে জনা যায়। আন্তঃগোট বিবাদক দুটা পৃথক শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে - ১) মূল বিবাদ আৰু ২) প্ৰভাৱাত্মক সংঘাত।

মূল বিবাদৰ গুৰুত্বপূৰ্ণ বিষয় হৈছে কামটোৰ প্ৰকৃতি বা "সমল" বিষয়ৰ ওপৰত আধাৰিত বিবাদ। এইটো গোটৰ সদস্যসকলৰ মাজত বৌদ্ধিক মতভেদৰ সৈতে সম্পৰ্কিত। ইয়াৰ বিপৰীতে, প্ৰভাৱাত্মক বিবাদ মুখ্যতঃ গোটটোৰ পাৰস্পৰিক সম্পৰ্কৰ পৰা উদ্ভৱ হয়। ইয়াৰ সৈতে সম্পৰ্কিত আন্তঃব্যক্তিগত সংঘৰ্ষৰ সময়ত আবেগিক সঁহাৰি জাগ্ৰত হ'ব পাৰে। অৰ্থাৎ ই আৱেগৰ সৈতে জড়িত বিবাদ হ'ব পাৰে।

### আন্তঃসাংগঠনিক সংঘাত ঃ

সংগঠন এটা হৈছে ব্যক্তি আৰু গোটৰ এক সংমিশ্ৰিত ৰূপ। পৰিস্থিতি, প্ৰয়োজনীয়তা তথা চাহিদা অনুযায়ী ব্যক্তিয়ে বিভিন্ন গোট গঠন কৰে। সামগ্ৰিকভাৱে সংগঠনটোৰ সফলতা সকলো পাৰস্পৰিক নিৰ্ভৰশীল গোটৰ মাজত সুসংগত সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰে, যদিও কিছুমান সংগঠনত আন্তঃগোট সংঘাত অনিবাৰ্য হোৱা দেখা যায়। নেতৃত্বৰ প্ৰতিযোগিতাই ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

### আন্তঃসাংগঠনিক সংঘাতৰ প্ৰকাৰ ঃ

সাধাৰণতে সংগঠনত চাৰি প্ৰকাৰৰ আন্তঃসাংগঠনিক সংঘাত বিদ্যমান। ১) উলম্ব সংঘাত, ২) সংগঠনৰ আন্তঃ সংঘাত, ৩) লাইন-ষ্টাফ সংঘাত আৰু ৪) ভূমিকাৰ সংঘাত।

উলম্ব সংঘাত ঃ সংগঠনৰ মাজৰ যিকোনো সংঘাতক উলম্ব সংঘাত বুলি কোৱা হয়। উচ্চ পদস্থ বিষয়া আৰু অধীনস্থ কৰ্মচাৰীৰ মাজত সংঘটিত সংঘাত হৈছে ইয়াৰ এক উদাহৰণ। উলম্ব সংঘাত সাধাৰণতে উদ্ভৱ হয় কাৰণ উচ্চপদস্থ বিষয়াই অধীনস্থসকলক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে। আনহাতে অধীনস্থসকলে অত্যাধিক নিয়ন্ত্ৰণৰ বাহিৰত থাকিব বিচাৰে।

সংগঠনৰ আন্তঃসংঘাত ঃ এই ধৰণৰ সংঘাত মানে হৈছে কৰ্মচাৰী বা বিভাগৰ মাজত বিভিন্ন বিষয়ত সৃষ্টি হোৱা সংঘাত।

লাইন-ষ্টাফ সংঘাত ঃ বেছিভাগ সংগঠনৰ লাইন বিভাগবোৰক সহায় কৰিবলৈ কৰ্মচাৰী বিভাগ থাকে। লাইন-কৰ্মচাৰীৰ সম্পৰ্কত সঘনাই বিবাদ অন্তৰ্ভুক্ত থাকে। কৰ্মচাৰী, মেনেজাৰ আৰু লাইন মেনেজাৰৰ মাজত সাধাৰণতে বিভিন্ন ব্যক্তিগত বৈশিষ্ট্য থাকে। কৰ্মচাৰীসকল উচ্চ স্তৰৰ হোৱাৰ প্ৰৱণতা থাকে। এইবোৰ বিভিন্ন ব্যক্তিগত বৈশিষ্টসমূহে সঘনাই ভিন্ন মূল্যবোধ আৰু বিশ্বাসৰ সৈতে সম্পৰ্কিত আৰু এই ভিন্ন মূল্যবোধে সংঘাত সৃষ্টি কৰে।

**আচৰণগত সংঘাত (Role Conflict) ঃ**

মানুহৰ আচৰণগত বৈশিষ্ট্য হৈছে কাৰ্যকলাপৰ সমষ্টি যিবোৰ আন ব্যক্তিসকলে তেওঁলোকৰ স্থিতিত প্ৰদৰ্শন কৰিব বুলি আশা কৰে। ইয়াত সঘনাই সংঘাত অন্তৰ্ভুক্ত থাকে। মানুহৰ আচৰণৰ ভিন্নতাই সংঘাত সৃষ্টি কৰে।

চাৰিত্ৰিক সংঘাতৰ ফলত প্ৰতিযোগিতা আৰু সৃজনীশীলতা হ'ব পাৰে যিয়ে সংঘাতক উৎসাহিত কৰিব পাৰে। এনে সংঘাত নিৰসন কৰিব পৰা কিছুমান প্ৰতিৰোধমূলক ব্যৱস্থা হৈছে —

ক) গাঁথনিৰ লক্ষ্য ঃ সাধাৰণতে গাঁথনি (Structure) ৰ লক্ষ্যবোৰ স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগে। প্ৰতিটো গোটৰ ভূমিকা আৰু অৱদান সাংগঠনিক লক্ষ্যৰ দিশত স্পষ্টভাৱে চিনাক্ত কৰিব লাগিব। সকলো ব্যক্তিয়ে তেওঁলোকৰ ভূমিকাৰ গুৰুত্বৰ বিষয়ে অৱগত হ'ব লাগিব আৰু এনে গুৰুত্ব সম্পূৰ্ণৰূপে স্বীকৃত হ'ব লাগিব।

খ) পুৰস্কাৰ প্ৰণালী ঃ সংঘাতৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক ক্ষতিপূৰণ দিব লাগে। অৰ্থাৎ সংঘাত নিৰসন প্ৰচেষ্টাক উৎসাহিত কৰাৰ বাবে ক্ষতিপূৰণ বা পুৰস্কাৰৰ ব্যৱস্থা কৰিব লাগে।



Scanned with OKEN Scanner

গ) বিশ্বাস আৰু যোগাযোগ ঃ গোটৰ সকস্যসকলৰ মাজত যিমান বেছি যোগাযোগ স্থাপন হ'ব সিমানেই তেওঁলোকৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থায়ী হ'ব। ইজনে সিজনৰ সৈতে মুকলিকৈ যোগাযোগ কৰিব লাগে যাতে তেওঁলোকে সকলোৱে ইজনে সিজনক বুজিব পাৰে। ইজনে সিজনৰ সমস্যা আৰু প্ৰয়োজন হ'লে ইজনে সিজনক সহায়ৰ প্ৰৱনতা থাকিলে সংঘাত নিৰসন হ'ব।

ঘ) সমন্বয় ঃ সমন্বয় হৈছে যোগাযোগৰ পৰৱৰ্তী পদক্ষেপ। সঠিকভাৱে সমন্বিত কাৰ্যকলাপে বিবাদ হ্ৰাস কৰে। য'তেই সমন্বয় সমস্যা হয় তাতেই এক বিশেষ যোগাযোগ ব্যৱস্থা গঢ়ি তুলি এনে সমন্বয়ত সহায় কৰিব লাগে।

**আচৰণগত সংঘাত সমাধান কৰা (Resolution of Behavioural Conflict) ঃ**

বিভিন্ন গৱেষকে আচৰণগত সংঘাতৰ সৈতে মোকাবিলা আৰু ইয়াক হ্ৰাস কৰাৰ বাবে পাঁচটা প্ৰাথমিক ৰণনীতি চিনাক্ত কৰিছে। যদিও বিভিন্ন লেখকে বিভিন্ন পৰিভাষা দিছে, তথাপি এইবোৰৰ মৌলিক সমল আৰু দৃষ্টিভংগী প্ৰায় একেই থাকে। এইবোৰ হৈছে—

১) সংঘাতক উপেক্ষা কৰা ঃ কিছুমান পৰিস্থিতিত সংঘাতৰ ক্ষেত্ৰত নিষ্ক্ৰিয় ভূমিকা লোৱা উচিত আৰু এইবোৰ পৰিহাৰ কৰিব লাগে। মেনেজাৰৰ দৃষ্টিকোণৰ পৰা চালে ক'ব পাৰি যে সংঘাতত জড়িত হ'লে যদি অধিক বিতৰ্কৰ সৃষ্টি হয় বা যেতিয়া সংঘাত ইমান তুচ্ছ প্ৰকৃতিৰ হয় যে মেনেজাৰ জড়িত হোৱা আৰু ইয়াক সমাধান কৰিবলৈ চেষ্টা কৰাটো উচিত নহ'ব। কেতিয়াবা সংঘাতত জড়িত পক্ষবোৰক সমাধান কৰিবলৈ তেওঁলোকৰ ওপৰত এৰি দিয়া বা ঘটনাবোৰক তেওঁলোকৰ নিজৰ পথ ল'বলৈ দিয়াটো সৰ্বশ্ৰেষ্ঠ। কেতিয়াবা বিবাদৰ সৈতে জড়িত হৈ তেওঁলোকে নিজে বিবাদ পৰিহাৰ কৰিবলৈ পছন্দ কৰিব পাৰে, বিশেষকৈ যদি তেওঁলোক আৱেগিকভাৱে থাকে। ইয়াৰ দ্বাৰা সৃষ্টি হোৱা উত্তেজনা আৰু হতাশাৰ দ্বাৰা বিচলিত মানুহে অন্তৰ্নিহিতভাৱে বিশ্বাস কৰিব পাৰে যে সংঘাত হৈছে মৌলিকভাৱে বেয়া আৰু ইয়াৰ অন্তিম পৰিণতি কেতিয়াও ভাল নহয়। এনেদৰে মানুহে সংঘাতৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিব পাৰে।

২) মসৃণ কৰা ঃ মসৃণ কৰাৰ অৰ্থ হৈছে নিজৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সংঘাতটো ঢাকি ৰখা। সংঘাতৰ সমস্যাটো সমাধান কৰাৰ সলনি সংঘাতৰ বিষয়ে

Scanned with OKEN Scanner

পাহৰি যাওঁক। যদি দুটা পক্ষৰ মাজত বিবাদ হয় তেন্তে সংগঠনৰ চুফাৰভাইজাৰে বুজা-বুজি আৰু সহায়ক হৈ বস্তুবোৰ শান্ত কৰিবলৈ চেষ্টা কৰিব পাৰে। দুয়োপক্ষৰ ওচৰত আৰু তেওঁলোকক সহযোগিতাৰ বাবে আবেদন জনাব পাৰে। কিন্তু তৎস্বত্বেও সমস্যাটো সমাধান কৰা নহ'লে, আৱেগবোৰ আৰু অধিক বৃদ্ধি হ'ব পাৰে আৰু হঠাতে বিস্ফোৰিত হ'ব পাৰে। এনেদৰে মসৃণ বিষয়বোৰ অস্থায়ী ভাৱে সমাধান হ'ব পাৰে যদিও সময়ত ই পুনৰ উদ্ভৱ হ'ব পাৰে।

৩) আপোচ কৰা ঃ সংঘাতৰ কাৰকবোৰৰ মাজত ভাৰসাম্য স্থাপনৰ দ্বাৰা এক আপোচ কৰিব পাৰি। বিৰোধী পক্ষৰ লগত দৰদাম কৰা আৰু তাৰ আলমত সমাধান এটাত উপনীত হোৱাৰ স্থিতি ল'ব পাৰি। প্ৰতিটো পক্ষই কিবা এৰি দিয়ে আৰু কিবা লাভ কৰে। সংঘাত নিৰীক্ষাৰ কৌশল শ্ৰমিক সংঘ আৰু পৰিচালনাৰ মাজত আলোচনা অনুষ্ঠিত কৰা হয়। এইটো পৰম্পৰাগত নীতি যে ইউনিয়নে তেওঁলোকে গ্ৰহণ কৰিবলৈ ইচ্ছুকতকৈ অধিক বিচাৰিব আৰু মেনেজমেণ্টে আগবঢ়াব প্ৰাৰম্ভিক পৰ্যায়ত তেওঁলোকে যি দিবলৈ ইচ্ছুক তাতকৈ কম। তাৰ পিছত আলোচনাৰ মাজেৰে মীমাংসা আৰু দৰদাম বেছিভাগ মধ্যস্থতাকাৰীৰ উপস্থিতিত, তেওঁলোকে ইয়াৰ দ্বাৰা সমাধানত উপনীত হয়। এই ধৰণৰ আপোচক একত্ৰিত দৰদাম বুলি কোৱা হয় য'ত দুয়োপক্ষই একপ্ৰকাৰে জিকিব। আপোচ কৰাটো এক উপযোগী কৌশল, বিশেষকৈ যেতিয়া দুটা পক্ষৰ তুলনামূলকভাৱে সমান ক্ষমতা থাকে। এনেদৰে কোনো পক্ষই নিজৰ দৃষ্টিভংগী জোৰদাৰ কৰিব নোৱাৰে যদিও ইয়াৰ একমাত্ৰ সমাধান হ'ল আপোচ কৰা। এইটো সময়ৰ সীমাবদ্ধতা থাকিলেও উপযোগী। যদি সমস্যাবোৰ জটিল আৰু বহুমুখী হয় আৰু সেইবোৰ সমাধান কৰাৰ বাবে সময় সীমিত থাকে তেন্তে আপোচৰ দ্বাৰা ইয়াক সমাধান কৰাই উত্তম।

৪) বলপূৰ্বক ঃ বিশিষ্ট চিন্তাবিদ ৱেবেৰে কোৱাৰ দৰে, "আটাইতকৈ সৰল ধাৰণাযোগ্য সংকল্প হৈছে সংঘাত মষিমূৰ কৰা। অৰ্থাৎ বিৰোধীসকলক পলাই যাবলৈ আৰু যুঁজ এৰি দিবলৈ বাধ্য কৰা বা তেওঁলোকক হত্যা কৰা।" এইটো কৌশল আধিপত্যৰ পথ য'ত আধিপত্যকাৰীয়ে নিজৰ দৃষ্টিভংগী বিৰোধী পক্ষৰ ওপৰত বলবৎ কৰাৰ ক্ষমতা আৰু কৰ্তৃত্ব আছে। এই কৌশলটো প্ৰয়োগ কৰি কোম্পানীৰ সভাপতিয়ে এজন মেনেজাৰক বৰ্খাস্ত কৰিব পাৰে। কিয়নো তেওঁক সমস্যা সৃষ্টিকাৰী হিচাপে গণ্য কৰা হয়। এই কৌশলটোত সদায় এটা দল পৰাজিত হয় আৰু আনটো দল স্পষ্টভাৱে বিজয়ী হয়। এই পদ্ধতিৰ ফলত অসন্তুষ্টি আৰু শত্ৰুতা হয়। সেই অনুসৰি, ... বিচাৰিব লাগিব যাতে শত্ৰুতা সৃষ্টি নহয়।

৫) সমস্যা সমাধান ঃ এই পদ্ধতিটোৱে নিৰপেক্ষভাৱে ধাৰণা কৰে যে সকলো সংগঠনতে যিমানেই ভালদৰে পৰিচালনা কৰা নহওঁক কিয় তাত মাতামতৰ পাৰ্থক্য থাকিব। ইয়াক সমাধান কৰিব লাগিব আলোচনা আৰু ভিন্ন দৃষ্টিভংগীৰ প্ৰতি সন্মানৰ জৰিয়তে। সাধাৰণতে, এই কৌশলটো অতি উপযোগী। অৱশ্যে দীৰ্ঘম্যাদী সময়ত সংঘাত সমাধান কৰা আৰু এনে প্ৰতিৰোধমূলক ব্যৱস্থা লোৱা ভাল যি ইয়াৰ সম্ভাৱনা হ্ৰাস কৰিব।

৬) যদি ঋণাত্মক সংঘাত হ্ৰাস আৰু দূৰ কৰাত সহায় কৰা একক অৱদানকাৰী কাৰক আছে তেন্তে ই হৈছে "বিশ্বাস"। আমাৰ ইজনে সিজনক বিশ্বাস কৰাৰ সামৰ্থ্যই আমাৰ কৰ্মজীৱন, আমাৰ পৰিয়ালৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। বাৰ্তালাপ আৰু ব্যক্তিগত আৰু সাংগঠনিক লক্ষ্যৰ প্ৰতি বিশ্বাস সৃষ্টি কৰিবলৈ আৰু বিশ্বাসযোগ্য হ'বলৈ আক্ৰমণাত্মক আচৰণ পৰিহাৰ কৰা আৰু একে সময়তে বিশ্বাস স্থাপন কৰি তাৰ প্ৰতি সন্মান কৰা আৰু পক্ষপাতিত্ব বা কুসংস্কাৰ পৰিহাৰ কৰি ইয়াক সমাধান কৰিব পাৰি। যদি যিকোনো স্তৰত সংঘাত বিকশিত হয় তেন্তে পাৰস্পৰিক লাভালাভৰ কথা মনত ৰাখি ইয়াক সমাধান কৰা উচিত।

**অৰ্থনীতি আৰু সংঘাত (Economy and Conflict) ঃ**

অৰ্থনীতি হৈছে সংঘাতৰ এক শাখা যি হিংসাত্মক যুঁজ অৰ্থাৎ সংঘাতৰ জৰিয়তে সম্পদৰ আৱণ্টনিক নিয়ন্ত্ৰণ কৰে। পৰম্পৰাগত অৰ্থনীতিত বিনিয়োগ হৈছে এক অহিংস প্ৰক্ৰিয়া যাক নিখুঁত ভাৱে পৰিচালিত কৰিব নোৱাৰিলে সংঘাত নিশ্চিত হয়। অৰ্থনীতিয়ে বিনিয়োগৰ ওপৰত ভিন্ন ধৰণে আলোকপাত কৰে। ইয়াক দুজন খেলুৱৈৰ মাজত প্ৰতিযোগিতাৰ এটা আৰ্হিত নিৰ্ধাৰণ কৰা হৈছে। সেয়েহে ইয়াক সংঘৰ্ষ অৰ্থনীতি বুলি কোৱা হয়। সংঘৰ্ষ অৰ্থনীতিয়ে এই ধাৰণাটো প্ৰৱৰ্তন কৰে যে এজেণ্টসকলে সম্পদ উৎপাদন আৰু বন্দুক উৎপাদনৰ মাজত সিদ্ধান্ত ল'ব লাগিব অৰ্থাৎ প্ৰতিপক্ষ খেলুৱৈৰ দ্বাৰা উৎপাদিত সম্পদবোৰ হস্তগত কৰাৰ কৌশল ৰচনা কৰিব লাগিব। বাস্তৱ জীৱনৰ সংঘাতৰ সৈতে সাদৃশ্য থকা বিভিন্ন পৰিস্থিতি বৰ্ণনা কৰিবলৈ বিভিন্ন আৰ্হি প্ৰৱৰ্তন কৰা হয়। তেনে এক আৰ্হি হৈছে সম্পদৰ সংঘাত আৰ্হি বা মডেল।

**সম্পদৰ সংঘাত মডেল (Conflict Model of Resource) ঃ**

দুটা দলে এটা প্ৰদত্ত লাভৰ কাৰণে প্ৰতিদ্বন্দিতা কৰে। প্ৰতিযোগিতাখনত জয়ী হোৱা খেলুৱৈজনে সমগ্ৰ সম্পদটো দাবী কৰে, পৰাজিত দলৰ বাবে একো এৰি নিদিয়ে।



Scanned with OKEN Scanner

জিকাৰ সম্ভাৱনা প্ৰতিটো দলৰ বন্দুকৰ পছন্দৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয় অৰ্থাৎ জিকিবৰ বাবে যিকোনো ধৰণৰ বিকল্প বাছনি কৰিব পাৰি।

## বন্দুক বনাম বাটাৰ মডেল (Gun Versus Butter Model) ঃ

এই মডেলত এজেন্টসকলে নিজকে উৎপাদনমুখী প্ৰতিযোগিতাত নিয়োজিত কৰে আৰু আন আন এজেন্টৰ আউটপুট দখল কৰিবলৈ চেষ্টা কৰে। প্ৰতিটো পক্ষই এক সুৰক্ষিত অৱস্থাত থাকি সম্পদ আহৰণ কৰে কিন্তু সেই সম্পদ তেওঁলোকে গোনপটীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰে। সম্পদ আহৰণৰ ক্ষেত্ৰত বন্দুক (সংঘাতৰ সঁজুলি) বা মাখন (ব্যৱহাৰ)ৰ মাজত সামঞ্জস্য থাকিব লাগিব। আকৌ, প্ৰতিযোগিতাখনত জয়ী হোৱা আৰু আন আউটপুট দখল কৰাৰ সম্ভাৱনা উৎপাদিত বন্দুকৰ আপেক্ষিক সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰে। এই আৰ্হিটোৱে খেলুৱৈসকলৰ মাজত বিভিন্ন শক্তিৰ গাঁথনি পৰীক্ষা কৰাৰ অনুমতি দিয়ে। ইয়াৰ এটা আকৰ্ষণীয় ফলাফল হৈছে যে যদি এজন এজেন্টৰ উৎপাদনশীলতা অধিক হয়, অৰ্থাৎ যদি তেওঁ সম্পদৰ এটা ইউনিট ব্যৱহাৰ কৰে তেন্তে তেওঁ তেওঁৰ প্ৰতিদ্বন্দীৰ তুলনাত অধিক মাখন লাভ কৰিব। ইয়াৰ কাৰণ হৈছে যে প্ৰতিজন খেলুৱৈয়ে তেতিয়া তেওঁৰ তুলনামূলক সুবিধা ব্যৱহাৰ কৰিব। অধিক উৎপাদশীল খেলুৱৈয়ে অধিক মাখন উৎপাদন কৰিব আৰু কম উৎপাদনশীল খেলুৱৈয়ে অধিক বন্দুক প্ৰস্তুত কৰিব। যাৰ ফলত সংঘৰ্ষটো জিকাৰ সম্ভাৱনা অধিক হ'ব।

## সংঘাতৰ ছাঁত নিষ্পত্তি (Sattlement in the Shadow of Conflict)ঃ

সংঘাতৰ ক্ষেত্ৰ অনুযায়ী ইয়াৰ লগত জড়িত পক্ষবোৰে ইয়াৰ নিৰসনৰ বাবে অগ্ৰাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰি এক সৰল বিভাজনৰ ৰূপৰেখা তৈয়াৰ কৰিব পাৰে। ইয়াত খেলৰ দুটা পৰ্যায়ৰ উদাহৰণেৰে বৰ্ণনা কৰা হয়। প্ৰথম পৰ্যায়ত, দলবোৰে তেওঁলোকৰ বন্দুক বাছনি কৰে। দ্বিতীয় পৰ্যায়ত, সংঘাতৰ দিশসমূহৰ আলোচনা হয়। যদি আলোচনা সফল হয়, তেন্তে খেলুৱৈসকলে এটা বিভাগত সন্মত হয় আৰু সুস্থ সিদ্ধান্তত উপনীত হ'ব পৰা যায়। যদি আলোচনা সফল নহয় তেন্তে বিজয়ী পক্ষই পুনৰ সমগ্ৰ সম্পদ লৈ লয়। ফলত পুনৰাই সংঘাত সৃষ্টি হয়। এই দুটা পৰ্যায়ৰ আৰ্হিটো বিশেষভাৱে আকৰ্ষণীয় যদি কোনোবাই মডেলটোত ধ্বংসৰ সম্ভাৱনা অন্তৰ্ভূক্ত কৰে অৰ্থাৎ সংঘৰ্ষৰ ক্ষেত্ৰত বিজয়ীৰ হাতত প্ৰতিদ্বন্দিতা কৰা সম্পদৰ কেৱল এটা অংশহে বাকী থাকে। যদি তেওঁলোকৰ অনিশ্চয়তা সম্ভাৱনাৰ ওপৰত নিৰ্ভৰশীল সংঘাতৰ ফলাফল বা ধ্বংসৰ প্ৰতি বিতৃষ্ণা থাকে তেনেহ'লে পক্ষবোৰ বিবাদতকৈ মীমাংসা পছন্দ কৰিব পাৰে।



Scanned with OKEN Scanner